আজি জুবিন গাৰ্গৰ ওপজা দিন
ই-সংবাদ, ১৭ নৱেম্বৰঃ সোমবাৰে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ওপজা দিন। ৫২ বছৰত ৩ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, NOVEMBER 18, 2024 ■ সোমবাৰ, ২ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৫ Guwahati, Assam ।। মূল্যঃ এটকা

## দিনজানত ডুবিল নাও

# ডিগবৈত নিশা বন্ধুৱৈ বুলি গুলী, বন্ধু গুলীবিদ্ধ

**ই-সংবাদ, ডুমডুমা, ১৭ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত টিংৰাই এলেকাধীন নাজিৰাটিঙত আজি সন্ধিয়াৰ ভাগত হোৱা এক গুলী চালনাৰ ঘটনাত শেষাংশ ২ পৃষ্ঠাত

# অখিলৰ সৈতে মন্ত্ৰী হ'ব মিঞা মিউজিয়ামৰ শ্বেৰমান!

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** কংগ্ৰেছে উপ-নিৰ্বাচন অনুষ্ঠিত হৈ যোৱা বিহালী বিধানসভা সমষ্টিৰ আসন চিপিআইএমএল দলক এৰি নিদিয়াত কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ শেষাংশ ৫ পৃষ্ঠাত

## ভায়োলেটৰ উঠিল খং

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** ইজনৰ পিছত সিজন বিষয়া আৰু তলতীয়া আৰক্ষীৰ লোকৰ কৰ্মকাণ্ডই অসমক জোকাৰি গৈছে। খোদ আৰক্ষীৰ শেহতীয়াকৈ পোহৰলৈ অহা শেষাংশ ২ পৃষ্ঠাত

# আৰক্ষী বিষয়া বৰ্ণালীৰ ভয়ংকৰ কাণ্ড

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** খাকী পোছাকযোৰ পিন্ধাৰ পিছতে নিজকে সৰ্বেসৰ্বা বুলি ভবা একাংশ আৰক্ষীৰ কুকীৰ্তি নিতৌ ফাদিল



## কেঁচুৱাক প্ৰহাৰৰ অভিযোগ উত্থাপন বৰ্ণালীৰ বিৰুদ্ধে

হ'বলৈ আৰম্ভ কৰিছে। কুকীৰ্তি ফাদিলৰ পিছতো ৰাজ্যত খাকীৰ তাণ্ডৱ অব্যাহত আছে। ১৫ নৱেম্বৰত শেষাংশ ৪ পৃষ্ঠাত

## সমৰ্থন প্ৰত্যাহাৰ এনপিপিৰ ■ ১৩ মন্ত্ৰী-বিধায়কৰ ঘৰত অগ্নিসংযোগ

# আকৌ জ্বলিছে মণিপুৰ, বিদেশ ভ্ৰমণত ব্যস্ত প্ৰধানমন্ত্ৰী



ইম্ফল, ১৭ নৱেম্বৰঃ কেঁচুৱা, শিশুসহ ছয়গৰাকী লোকক অপহৰণ কৰি হত্যাৰ পিছতে পুনৰ জ্বলি উঠিছে চুবুৰীয়া ৰাজ্য মণিপুৰ। ৰাজধানী ইম্ফলৰ লগতে আন আন কেবাটাও প্ৰান্ত দাউদাউকৈ জ্বলি শেষাংশ ৬ পৃষ্ঠাত

# খাৰুপেটীয়াত বাঘৰ আক্ৰমণ, প্ৰাণ হেৰুৱালে কৃষকে

**ই-সংবাদ, খাৰুপেটীয়া-দলগাঁও, ১৭ নৱেম্বৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তত বন্যপ্ৰাণীৰ সৈতে মানুহৰ সংঘাত ক্ৰমাৎ বৃদ্ধি পোৱাৰ সময়তে দৰং জিলাৰ ৪ পৃষ্ঠাত চাওক



# ভাৰ্গৱৰ বিৰুদ্ধে ৰুজু হ'ল গোচৰ

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** জমেটোৰ ডেলিভাৰী বয় জ্ঞানদীপ হাজৰিকাক পাণবজাৰ আৰক্ষী থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই ৰাজহুৱা শেষাংশ ২ পৃষ্ঠাত

## বেলনাৰে কোবাই ২ সহকৰ্মীক হত্যা এজনৰ

# নগাঁৱৰ গৌৰী বেকাৰীত হত্যাকাণ্ড

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে হত্যাকাণ্ডৰ ঘটনা। এইবাৰ নগাঁৱত বেলনা মাৰিৰে কোবাই হত্যা কৰা হয় দুজনক। নিশা কৰ্মৰত অৱস্থাত এজন কৰ্মচাৰীয়ে বেলনা মাৰিৰে অতি নৃশংসভাৱে কোবাই শেষাংশ ৬ পৃষ্ঠাত



বিশ্বনাথৰৰ ৰাসত দেওবাৰে নিশা এনেদৰে দেখা গ'ল জুবিন গাৰ্গক

# দায়বদ্ধতা আয়োগলৈ পত্ৰ দেৱব্ৰতৰ

**ই-সংবাদ, ১৭ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমক 'পুলিচ ষ্টেট' কৰা বুলি বিৰোধীয়ে দাবী উত্থাপন কৰি অহাৰ সময়তে কংগ্ৰেছৰ নেতা শেষাংশ ৫ পৃষ্ঠাত

## ২৭-২৮ জানুৱাৰীত আছুৰ সাধাৰণ সভা

# ডেৰ কোটিৰ বাজেট, ৫০ সহস্ৰাধিকক আদৰিবলৈ সাজু হৈছে শিৱসাগৰ

**ই-সংবাদ, শিৱসাগৰ, ১৭ নৱেম্বৰঃ** শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ আগন্তুক সাধাৰণ সভাৰ অভ্যৰ্থনা সমিতি গঠনৰ বাবে আজি শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই ৰাজহুৱা সভাত ২০খন উপসমিতিৰে সৈতে এখন বৃহৎ উদযাপন সমিতি গঠন কৰা হয়। উল্লেখ্য যে, শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰ্গৱৰ বিৰুদ্ধে ৰুজু হ'ল গোচৰ

স্থানত বহু লোকৰ সন্মুখত ডিঙি চেপি, ঘুচিয়াই বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ ঘটনাৰ পিছতে অসম দুখন আৰক্ষী থানাত দাখিল হৈছিল এজাহাৰ। কিন্তু আৰক্ষীয়ে এজাহাৰ দাখিলৰ ৫০ ঘণ্টাৰ মূৰকতে গোচৰ ৰুজু কৰিছে অসম আৰক্ষীয়ে। পাণবজাৰ আৰক্ষীয়ে এজাহাৰ গ্ৰহণৰ ৫০ ঘণ্টাৰ মূৰকত গোচৰ পঞ্জীয়ন কৰিছে। ৩২৫/২০২৪ নম্বৰত কেইবাটাও ধাৰাত গোচৰ হৈছে। নিলম্বিত পাণবজাৰ থানাৰ অ'চি ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ ইমান সময় কিয় লাগিল আৰক্ষীক তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে। ভুক্তভোগী ছাত্ৰ জ্ঞানদীপ হাজৰিকা, দুই সচেতন যুৱক হিমাংশু গগৈ, পলাশ ৰঞ্জন বৰুৱাই দাখিল কৰিছিল এজাহাৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাত ৰুজু হৈছে গোচৰ। আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে যদিও এই পৰ্যন্ত আৰক্ষী থানালৈ তলব কৰি ভাৰ্গৱ বৰবৰাক সোধা-পোছা কৰা নাই। সাধাৰণ নাগৰিকৰ বেলিকা তৎপৰ হোৱা আৰক্ষীয়ে নিজ বিভাগৰ বিষয়া বাবে ৰেহাই দিছে নেকি প্ৰশ্ন উঠিছে। দেখদেখকৈ এজন মেধাৱী ছাত্ৰক হত্যাৰ প্ৰয়াসৰ ভিডিঅ' থকাৰ পিছতো কি কাৰণতে গোচৰ ৰুজু কৰা নাছিল আৰক্ষীয়ে তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে। আনহাতে, গোচৰ ৰুজু কৰা হৈছে যদিও গুণ্ডা ভাৰ্গৱ বৰবৰাক গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা, তলৰে কৰিবলৈ সাহস গোটাব পৰা নাই গুৱাহাটী আৰক্ষীয়ে। সেয়ে এতিয়া, সাধাৰণ নাগৰিক আৰু আৰক্ষীৰ বিষয়াৰ বাবে আইন বেলেগ নেকি বুলিও বহু লোকে সামাজিক মাধ্যমযোগে প্ৰশ্ন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিগবৈত নিশা বন্ধুলৈ বুলি গুলী

ঘটনাত তৈল নগৰী ডিগবৈ ৰামনগৰৰ হেমন্ত শইকীয়া (৩৭) নামৰ এজন যুৱক গুলীবিদ্ধ হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, হেমন্ত শইকীয়াই এখন হুণ্ডাই গাড়ীৰে তেওঁৰ চাৰিজন বন্ধুৰ সৈতে নাজিৰাটিং অঞ্চলত উপস্থিত হোৱাত বন্ধুৰ সৈতে প্ৰথমে বাক-বিতণ্ডাৰ সৃষ্টি হোৱাত পিছলৈ কাজিয়াৰ সূত্ৰপাত ঘটাত বন্ধুকেইজনে হেমন্তক চোকা অস্ত্ৰৰে মূৰ, ভৰি আৰু হাতত উপৰ্যুপৰি আঘাত কৰাৰ লগতে তেওঁলোকৰ মাজৰে কোনোবা এজনে হেমন্তৰ বুকুত গুলীয়াই। গুলীচালনাৰ পিছতে আটাইকেইজন বন্ধু ঘটনাস্থলীৰ পৰা পলায়ন কৰে। বন্ধুৰ গুলী চালনাত গুৰুতৰভাৱে আহত হোৱা হেমন্তক প্ৰথমে ডিগবৈ ৰাজ্যিক চিকিৎসালয়লৈ অনা হয় যদিও যুৱকজনৰ অৱস্থা সংকটজনক দেখি চিকিৎসালয়খনৰ চিকিৎসকে যুৱকজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ আদিত্য নাৰ্চিং হোমলৈ প্ৰেৰণ কৰে। ঘটনাৰ প্ৰকৃত কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই যদিও ঘটনাত ব্যৱহৃত মাৰণাস্ত্ৰটো পইণ্ট ২২ পিষ্টল বুলি নিশ্চিত হৈছে। ইপিনে, উক্ত ঘটনাৰ পাছতে তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ), মাৰ্ঘেৰিটা সম-জিলাৰ আৰক্ষী বিষয়াই ডিগবৈ আৰক্ষী থানাত উপস্থিত হৈ ঘটনা সন্দৰ্ভত ক্ষিপ্ৰগতিত তদন্ত অব্যাহত ৰাখিছে। ঘটনাক লৈ সমগ্ৰ টিংৰাই-নাজিৰাটিং অঞ্চলৰ লগতে তিনিচুকীয়া জিলাতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে, জিলাখনৰ ডিব্ৰু নৈৰ দিনজান ঘাটত আজি বিয়লি প্ৰায় ৪ বজাত এখন যাত্ৰীবাহী নাও নদীৰ মাজত দুৰ্ঘটনা পতিত হয়। ঘটনাৰ সন্দৰ্ভত প্ৰাপ্ত অভিযোগ অনুসৰি, দধিয়াৰ পৰা শাক-পাচলি বিক্ৰী কৰিবলৈ অহা আঠজন লোকে এখন যাত্ৰী লৈ যোৱা নাৱেৰে দিনজানৰ পৰা দধিয়ালৈ বুলি গৈ থকাৰ সময়তে নাওখনে ঘটনাক্ৰমে পাৰকুপাইনত খুন্দা মৰাত তিনিজন লোক পানীত পৰি যায়। ঘটনাটো প্ৰত্যক্ষ কৰা মাত্ৰকে স্থানীয় নাও লৈ যোৱা দিনজানৰ মনোজ পাহাৰীয়া নামৰ নাৱৰীয়াজনে লোক কেইজনক পানীৰ পৰা সুকলমে উদ্ধাৰ কৰি এখন নাৱত তুলি দিয়ে। আনৰ জীৱন বচাবলৈ নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি তিনিজন ব্যক্তিৰ প্ৰাণ ৰক্ষা কৰা মনোজক অৱশেষত তিনিওজনে কৃতজ্ঞতাৰ চিনস্বৰূপে নাৱৰ বঠা ডালেৰে মাৰি গভীৰ পানীত পেলাই দি নাৱেৰে পলায়ন কৰে। উপকাৰীক অজগৰে খোৱাৰ দৰে অৱস্থা হোৱা মনোজ পানীৰ মাজত নিখোজ হৈ পৰে। ঘটনাৰ খবৰ পায়েই ঘটনাস্থলীত আৰক্ষী আৰু এছ ডি আৰ এফ বাহিনী উপস্থিত হৈ ব্যক্তিজনৰ সন্ধানত অভিযান চলাই আছে যদিও এই বাতৰি লিখা পৰলৈকে সন্ধানহীন দিনজানৰ মনোজৰ সন্ধান ওলোৱা নাই বুলি জানিব পৰা গৈছে। আজি সংঘটিত এই দুয়োটা ঘটনাই জিলাখনৰ আইন-শৃংখলাক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভায়োলেটৰ উঠিল খং

কৰ্ম-কাণ্ডত নাৰাজ হৈছে অসম আৰক্ষীত সেৱা কৰি অৱসৰগ্ৰহণ কৰা বিষয়াসকল। জমেটৰ ডেলিভাৰী বয় জ্ঞানদীপ হাজৰিকাক পাণ বদাৰ আৰক্ষী থানাৰ তদানীন্তন ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই ৰাজহুৱা স্থানত বহু লোকৰ সন্মুখত ডিঙি চেপি, ঘুচিয়াই বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ কাণ্ডত সহজে ল'ব পৰাই অৱসৰপ্ৰাপ্ত বিষয়াসকলে। গুৱাহাটীৰ ফাঁচী বজাৰৰ জেল ৰোডত ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই জ্ঞানদীপ হাজৰিকাক প্ৰহাৰ কৰা কাণ্ডক লৈ তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰিছে প্ৰাক্তন আইপিএছ তথা অসম আৰক্ষীত দীৰ্ঘকাল সেৱা কৰি অৱসৰগ্ৰহণ কৰা ভায়লেট বৰুৱাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি একালত নিজেই চাকৰি কৰি অহা আৰক্ষী বিভাগক সমালোচনা কৰিছে। সিংঘম পুলিচ অকল চিনেমাতহে ভাল লাগে বুলি বক্ৰোক্তি কৰি অ'চি ভাৰ্গৱ বৰবৰাৰ কুকীৰ্তিক ধিক্কাৰ দি অসম আৰক্ষীৰ প্ৰাক্তন আইজিপি ভায়লেট বৰুৱাই ফেচবুকযোগে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ভায়লেট বৰুৱাই কয় "সিংঘম পুলিচ অকল চিনেমাতহে ভাল লাগে। গুণ্ডাৰূপী এইজন আৰক্ষী পৰিদৰ্শকক কোন কেইটা যোগ্যতাৰ বাবে পুলিচৰ ওপৰ মহলে পাণবজাৰৰ দৰে এখন গুৰুত্বপূৰ্ণ আৰক্ষী থানা এখনৰ অ'চি পদত বহুৱাইছিল? ওপৰৰ গধূৰ আৰক্ষী বিভাগে এই বিষয়ে কিবা ক'বনে? শুনা মতে এইজন আৰক্ষী বিষয়াই আন আন থানাত থাকোতেও নানা ধৰণৰ দুষ্কাৰ্য কৰিও সুকলমে ৰৰমূৰীয়াৰ আশীষ লাভ কৰিবলৈ সক্ষম হৈছিল। এতিয়া নিয়ম বহিৰ্ভূত বডি ফিটিং ইউনিফৰ্ম পিন্ধি সিংঘম ষ্টাইলত গুণ্ডাগিৰি কৰি সমস্ত পুলিচ বিভাগটোলৈ দুৰ্নাম আনিছে। কিন্তু এইবাৰ ৰাইজে উভতি ধৰাৰ পাছত কথা বিষম দেখি 'তাৎক্ষণিকভাৱে নিলম্বন' কৰি বিভাগটোৱে দায় সাৰিব খুজিছে। গতিকে এই ক্ষেত্ৰত আপোনা সকলো সমানেই জগৰীয়া। কাৰণটো নিজকে সুধি লওক। তাৰোপৰি অপৰাধ কৰা এইজন বিষয়াৰ ওপৰত মহানগৰ পুলিচৰ ফালৰ পৰা এটা শ্ব-মট কেচ ল'বও পাৰিলেহেঁতেন, ভুক্তভোগীৰ পৰা এফআইআৰ ল'বলৈ কিয় ৰৈ থাকিব লাগে। আপোনাসৱে সময়ে সময়ে সামাজিক মাধ্যমত ৰাইজক নীতি শিক্ষা দিয়াৰ উপৰিও বিভাগটোৰ ভিতৰত থকা এইচাম উদণ্ড বিষয়াক ৰাইজৰ সুৰক্ষা প্ৰদান কৰিবলৈ শিক্ষা দি যোগ্য কৰি তোলক। ৰাইজৰ ধনেৰে দৰমহা দি ভেৰোণীয়া গুণ্ডা নুপুহিব।" এইদৰে এতিয়া চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰিবলৈ লোৱা দেখা গৈছে প্ৰাক্তন আৰক্ষী বিষয়াৰ একাংশক।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেৰ কোটিৰ বাজেট, ৫০ সহস্ৰাধিকক

অহা বছৰৰ ২৭ আৰু ২৮ জানুৱাৰীত শিৱসাগৰ অধিৱেশন সফল কৰি তোলাৰ মানসৰে ঘৰতে প্ৰস্তুত কৰা পিঠা-পনা, জলপান, লাডু যোগানৰ জিলাৰ ঐতিহাসিক জয়সাগৰ অঞ্চলৰ তলাতল ঘৰৰ বাকৰিৰ সন্মুখত আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পৰাগ চলিহা ষ্টেডিয়ামত সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ আজিৰ ৰাজহুৱা সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া আছুৰ সাধাৰণ সভাখন সকলো দিশতে সৰ্বাংগ সুন্দৰ আৰু সফলতাৰে যাতে সম্পন্ন কৰিব পাৰি সেই লৈ ৰাজহুৱা সভাত উপস্থিত থকা সকলোৱে ঐক্যমতত উপনীত হয়। এহাজাৰৰো অধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত তাই আহোম ছাত্ৰ সন্থা, উজনি অসম মুছলিম কল্যাণ পৰিষদ, উজনি অসম থলুৱা মুছলিম পৰিষদ, অসমীয়া মহিলা মঞ্চ, প্ৰাথমিক শিক্ষক সন্মিলন, কৰ্মচাৰী পৰিষদকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীয় অনুষ্ঠানৰ লগতে জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষাবিদ, বিভিন্ন সামাজিক অনুষ্ঠানৰ নেতাই অংশগ্ৰহণ কৰিছিল। সভাত উপস্থিত থকা সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু ভাৰপ্ৰাপ্ত সম্পাদক চাৰ্জুন হাঞ্চেৰ উপৰিও কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ লগতে জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত আছিল। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সম্পাদক দিপাঙ্কৰ শইকীয়াই উদ্দেশ্য বাখ্যা কৰা সভাত বিভিন্ন ঠাইৰ পৰা অহা মহিলা সংগঠনৰ সদস্যসকলে ধৰাৰ কথা অনুষ্ঠানিকভাবে সভাত অৱগত কৰে। আজি ৰাজহুৱা সভাত বিভিন্ন দিশত পৰামৰ্শ দি ভাষণ প্ৰদান কৰে আছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চাৰ্জুন হাঞ্চে, উজনীয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মী কান্ত মহন্ত, বিশিষ্ট শিক্ষাবিদ ডঃ প্ৰকাশ কটকী, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ প্ৰফুল্ল কলিতা, অধ্যক্ষ ডঃ সৌমাৰ জ্যোতি মহন্ত, ডঃ সব্যসাচী মহন্ত, বিশিষ্ট সাংবাদিক সোমেশ ডেকা, অধ্যাপক ডঃ যোগেশ বৰা, সমাজ সংগঠক যোগ গগৈ, অসমীয়া মহিলা মঞ্চৰ পাপৰি যতীন ফুকন, নীলিমা গগৈ, প্ৰাঞ্জল খনিকৰ, কুসুম বৈৰাগী, পদ্মা লাহন চেতিয়া আদি ব্যক্তিসকলে আগন্তুক আছুৰ সন্মিলনখন ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ মান ৰাখি সম্পন্ন কৰিব পাৰি সেই দিশত দিহা-পৰামৰ্শৰে বক্তব্য প্ৰদান কৰে। উক্ত অনুষ্ঠানতে আজি শিৱসাগৰ জিলাৰ নেতৃস্থানীয় অৰ্ধশতাধিক ব্যক্তিক উপদেষ্টা ৰূপে লৈ অধিবেশনখনি সুচাৰুভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিশিষ্ট শিক্ষাবিদ গড়গাঁও কলেজৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তক সভাপতি, শৰৎ হাজৰিকা আৰু ব্ৰজেন বড়াক কাৰ্যকৰী সভাপতি আৰু ছাত্ৰনেতা সমীৰণ ফুকনক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে শিৱসাগৰত ১৯৭৪, ১৯৭৯, ১৯৮৬ আৰু ২০০৫ চনত একাধিক অধিৱেশন আৰু সাধাৰণ সভা অনুষ্ঠিত হৈ গৈছে। ১৯৭৯ চনত চহৰখনত অনুষ্ঠিত অধিৱেশনত ভৃগু কুমাৰ ফুকন, ২০০৫ চনত তপন কুমাৰ গগৈ আছুৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল। একেদৰে ১৯৮৬ চনত শিৱসাগৰত অনুষ্ঠিত সাধাৰণ সভাত সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল বৰ্তমানৰ সংগঠনটোৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। এক বিশেষ পৰিস্থিতিত ২০২৫ বৰ্ষৰ সাধাৰণ সভাতে আছুৰ পূৰ্ণকালীন সাধাৰণ সম্পাদক এজন নিৰ্বাচিত কৰা হ'ব। ইতিমধ্যে বৰ্তমানৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্য নিৰ্বাহক সমীৰণ ফুকনৰ নামটো সাধাৰণ সম্পাদকৰ বাবে ব্যাপক চৰ্চা ইতিমধ্যে আৰম্ভ হৈছে। অৱশ্যে এই বৃহৎ ছাত্ৰ সংগঠনটোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক কোন হ'ব তাৰ বাবে বাট চাব লাগিব শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ সাধাৰণ সভাৰ প্ৰতিনিধি সভালৈ। উল্লেখ্য যে প্ৰায় ডেৰ কোটি টকাৰ বাজেটেৰে অনুষ্ঠিত হ'ব লগা অধিৱেশনত ২০খন উপসমিতি গঠন কৰি দিয়াৰ ব্যৱস্থা কৰা লগতে সমান্তৰালভাৱে অধিবেশনৰ দ্বিতীয় দিনা বৰ্ণাঢ্য এক সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰিব। বিভিন্ন জাতি-জনগোষ্ঠীক লৈ পঞ্চাশ হাজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত হ'ব লগা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা জয়সাগৰ পৰা নগৰৰ মূল পথসমূহেৰে শোভাযাত্ৰা কৰাৰ পৰিকল্পনা হাতত লৈছে। ইয়াৰ উপৰিও তলাতল ঘৰৰ বাকৰিৰ সন্মুখত প্ৰতিনিধিসকলৰ বাবে খাদ্য যোগান ধৰা আৰু বাণিজ্য মেলা, মুকলি সভা অনুষ্ঠিত কৰা পৰিকল্পনাৰ সমান্তৰালভাৱে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পৰাগ চলিহা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব মূল কাৰ্যনিৰ্বাহক সভা। আজি ৰাজহুৱা সভাৰ অন্তত উদযাপন সমিতিৰ বিষয়ববীয়া আৰু আছুৰ নেতা-কৰ্মীসকলে আজিৰে পৰা অধিৱেশনখনি সফল কৰাৰ ক্ষেত্ৰত নিৰ্দিষ্ট কাম-কাজ আৰম্ভ কৰিছে। এনেদৰে এতিয়া ৫০ সহস্ৰাধিকক আদৰিবলৈ সাজু হৈ পৰিছে ঐতিহাসিক শিৱসাগৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি জুবিন গাৰ্গৰ ওপজা দিন

ভৰি দিয়া জনপ্ৰিয় শিল্পীগৰাকীৰ অনুৰাগীসকলে বিভিন্ন প্ৰান্তত বিগত বছৰসমূহৰ দৰে প্ৰিয় শিল্পীগৰাকীৰ ৫২ সংখ্যক জন্মদিন পালন কৰিব। ১৯৭২ চনৰ ১৮ নৱেম্বৰৰ দিনটোত মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে প্ৰায় ২৫ সহস্ৰাধিক গীতত কণ্ঠদান কৰি অসমীয়া সংগীত জগতক সমৃদ্ধ কৰিছে। সময়ে সময়ে একাধিক বিতৰ্কতো সোমাই আহিছে শিল্পীগৰাকী। মনলৈ যিটো আহে তাকেই কৈ ভালপোৱা জুবিন। স্পষ্টবাদী জুবিন নে কথা ক'ব নজনা জুবিন। খঙাল জুবিন। অভিমানী জুবিন। অহংকাৰী জুবিন। তুলাচনীৰ এফালে জুবিনৰ সমৰ্থক। আনফালে কোন? জুবিন বিৰোধী? তুলাচনীৰ আনটো ফাল শূন্য। তুলাচনীৰ কিছু দূৰৈত জুবিনৰ শুভকাংক্ষী। কাৰনো খং নাই? অভিমানী নহয় কাৰ হৃদয়? অসমীয়া বুলি ক'লে কোন অসমীয়াৰ বুকু ওফন্দি নুঠে? চিৰ চেনেহী ভাষা জননী গুণগুণালে কাৰ মন ভৰি নপৰে? আৰু বিহু? এনেয়ে বুঢ়ী নাচনী তাতে আকৌ নাতিনীৰ বিয়া। বিহু বুলিলে গা সাতখন-আঠখন। উলাহে নধৰে হিয়া। ঢোলৰ গুমগুমনি, ম'হৰ শিঙৰ পেপা, ককাল ভাঙি ভাঙি নচা বিহুৱতীৰ নাচ। প্ৰথমে অনামিকা, তাৰ পিছত যন্ত্ৰ, মায়া...। লগে লগে দৃশ্যপট সলনি। বলীউড মাৰ্কা হিন্দী গানৰ কেছেট বিচাৰি ফুৰা চেঙেলীয়াবোৰে তিনি আলিৰ আড্ডাত গুণগুণাবলৈ আৰম্ভ কৰিলে- মায়াৱিনী ৰাতি, মায়া মাথো মায়া, আহে বা নাহে ঘুমটি আহিবা ৰাতি, পাখি পাখি...। সূচনা হ'ল অসমীয়া সংগীতৰ এক নতুন ধাৰাৰ। হিন্দী গীতৰ প্ৰভাৱৰ পৰা অসমীয়া শ্ৰোতাক মুক্ত কৰি অসমীয়া গীত শুনিবলৈ বাধ্য কৰোৱা জুবিনৰ সংগীত যাত্ৰাৰ গ্ৰাফডালো ক্ৰমাত উৰ্ধগামী হৈ গৈ থাকিল। য়া আলী! এদিন তেওঁ কণ্ঠ নিগৰালে বলীউডত। গৰ্বত বুকু ওফন্দি উঠিল অসমীয়াৰ। তাৰ মাজে মাজে চলি থাকিল বিতৰ্ক। অসমীয়াই পৰিৱৰ্তন বিচাৰে। কিন্তু পৰিৱৰ্তন প্ৰত্যক্ষ কৰাৰ পিছতে সেয়া সহজতে মানি লবলৈ টান পায়। অসমীয়াই বিশ্ব দৰবাৰলৈ যাবলৈ বিচাৰে। কিন্তু বিশ্ব দৰবাৰত যি চলি আছে সেয়া ইয়াতো চলিলে সংস্কৃতি ধ্বংস হ'ল বুলি উস-আস কৰে। জুবিনে ভাল গায়। জুবিন ভাল। জুবিনে বেলেগ বেলেগ ৰঙৰ জোতা পিন্ধে। জুবিন বেয়া। জুবিনে অসমক দেশত উজলাই তুলিছে। জুবিন ভাল। জুবিনে বিয়া পাতি জুতি ল'বি গাইছে। জুবিন বেয়া। জুবিনে মানুহক সহায় কৰিছে। জুবিন ভাল। জুবিনে খঙতে খুটাত বগাইছে। জুবিন বেয়া। জুবিনে চিনেমা নিৰ্মাণ কৰিছে। জুবিন ভাল। জুবিন মহোৎসৱত মদৰ আড্ডা চলিছে। জুবিন বেয়া। জুবিন ভাল। বেয়া নে ভাল জুবিন? জুবিন কেৱল জুবিন। জুবিনৰ কথাৰ লাগ-বান্ধ নাই। সুৰাৰ ৰাগীত মাতাল জুবিন। খঙাল জুবিন। নে শিশু সুলভ? নিজৰ মতে চলা জুবিন। 'নিজৰ মতে গাব নিদিলে মাতিবই নালাগে।'-জুবিনৰ স্পষ্ট মন্তব্য। অসমীয়াক হিন্দী গীতৰ পৰিৱৰ্তে অসমীয়াৰ নিজৰ গান শুনিবলৈ বাধ্য কৰোৱা জুবিনৰ গৰু বিহুৰ দিনাই মন গৈছে হিন্দী গাবলৈ। জুবিনে গীত জুৰিছে। হিন্দু বাংলাদেশী, চিলাপথাৰ কাণ্ড, কা আইনে অসমীয়া জাতিৰ অস্তিত্বক লৈ প্ৰশ্ন বোধক চিহ্ন উত্থাপন কৰাৰ সময়তে মঞ্চৰ ইটো মূৰৰ পৰা বাধা দিয়া হৈছে হিন্দী নাগাবলৈ। সংগীতৰ কি ভাষা থাকে? গৰজি উঠিছে অভিমানী শিল্পী। ক্ৰোধান্বিত জুবিন। নুনমাটিৰ অনুষ্ঠান আধাতে সামৰি ভৰলুত গীতৰ শৰাই। হাজাৰ হওঁক জুবিন আমাৰ। এটা-দুটা নহয়, ২৫ সহস্ৰাধিক (!) গান গোৱা জুবিন। অসমীয়া গীতক নতুন মাত্ৰা প্ৰদান কৰা জুবিন। অনুৰাগীসকলৰতো কথাই নাই। প্ৰিয় শিল্পীক সমৰ্থন কৰিবলৈ বিচাৰি উলিয়াইছে হাজাৰ যুক্তি। এনেদৰেই জুবিন গাৰ্গে গৰকিলে আৰু এটা বসন্ত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খাৰুপেটীয়াত বাঘৰ আক্ৰমণ, প্ৰাণ

খাৰুপেটীয়াৰ নিকটৱৰ্তী তথা ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ সমীপৰ বদলি বৰালি গাঁৱত বাঘে সন্ত্ৰাসৰ সৃষ্টি কৰে। কেৱল সন্ত্ৰাসৰ সৃষ্টি কৰাই নহয়, এই ঘটনাত ওমৰ আলী নামৰ এজন কৃষক-শ্ৰমিকে প্ৰাণ হেৰুৱাবলগীয়াত পৰে। ঘটনাৰ বিৱৰণী মতে, আইন দিনাৰ দৰে আজিও লোকজনে আনসকলৰ সৈতে পুৱাই পথাৰলৈ বুলি ওলাই গৈছিল। পথাৰ পাই ধান চপাই থকা অৱস্থাতে পিছফালৰ পৰা আহি বাঘটোৱে ওমৰৰ ওপৰত অতৰ্কিতে আক্ৰমণ চলায়। এই আক্ৰমণত গুৰুতৰভাৱে আহত হৈ পৰে লোকজন। ওমৰৰ মৰণকাতৰ চিঞৰ শুনি আশে-পাশে কাম কৰি থকা বাকী লোকসকলে হৈ-চৈ লগোৱাত বাঘটোৱে সেই স্থানৰ পৰা জংঘলৰ দিশে পলায়ন কৰে। পিছত বাঘৰ আক্ৰমণত মুখ আৰু মূৰত আঘাত পাই অত্যাধিক ৰক্তক্ষৰণ হ'বলৈ ধৰা ওমৰক স্থানীয় লোকসকলে ততাতৈয়াকৈ খাৰুপেটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা যায়। আঘাত গুৰুতৰ হোৱাত চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও দুৰ্ভাগ্যজনকভাৱে ওমৰ আলীৰ মৃত্যু ঘটে। ইফালে, বদলি বৰালি গাঁৱত কৃষকজনক আক্ৰমণ কৰি বাঘটো ৪ নং আৰিমাৰি গাঁৱৰ মাকৈ খেতিত প্ৰৱেশ কৰে। খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় খাৰুপেটীয়া আৰক্ষী দল আৰু বন বিভাগৰ লোক। উল্লেখ্য যে কিছুদিন পূৰ্বে ধুলাৰ গৰাপুৰীত বাঘে সৃষ্টি কৰিছিল আতংকৰ। বাঘটো এতিয়াও মাকৈ খেতিতে থকাৰ সন্দেহ ৰাইজৰ। বাঘটো ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বাঘটো ওলাই অহাৰ সন্দেহ কৰা হৈছে। বন বিভাগে জানিবলৈ দিয়া মতে, এয়া হৈছে বিগত তিনি মাহত দ্বিতীয়টো এনে আক্ৰমণৰ ঘটনা। অঞ্চলটোত বাঘৰ আক্ৰমণৰ সঘন পুনৰাবৃত্তিৰ ঘটনাই ক্ৰমাৎ বৃদ্ধি পোৱা মানুহ-বন্যপ্ৰাণীৰ সংঘাতকে স্পষ্ট কৰি তুলিছে। বাসস্থানৰ খণ্ডিতকৰণ, বন্যপ্ৰাণীৰ ভূখণ্ডত মানুহৰ বেদখল আৰু সম্পদৰ বাবে চলা প্ৰতিযোগিতাই এই সংঘাতত অৰিহণা যোগাইছে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। এনে সংঘাত লাঘৱ কৰিবলৈ সংৰক্ষণৰ প্ৰচেষ্টাত মানৱ বসতি আৰু বন্যপ্ৰাণীৰ বাসস্থানৰ মাজত নিৰাপদ দূৰত্ব বজাই ৰখাৰ ওপৰত বিশেষজ্ঞসকলে গুৰুত্ব আৰোপ কৰে। বিশেষজ্ঞসকলৰ মতে বন বিভাগ তথা ৰাইজৰ সহযোগত মানৱ বসতিস্থলসমূহ স্থানান্তৰ কৰা, শস্যৰ ক্ষতি আৰু পশুধনৰ ক্ষতিৰ ক্ষতিপূৰণ প্ৰদান কৰা, শিক্ষা আৰু সজাগতাৰ জৰিয়তে সহাৰস্থানৰ প্ৰসাৰৰ ব্যৱস্থা কৰাটো জৰুৰী হৈ পৰিছে। এনে সংঘাত লাঘৱ কৰিবলৈ সংৰক্ষণৰ প্ৰচেষ্টাত মানৱ বসতি আৰু বন্যপ্ৰাণীৰ বাসস্থানৰ মাজত নিৰাপদ দূৰত্ব বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। চৰকাৰ তথা বন বিভাগে স্থানীয় ৰাইজক লগত লৈ সময় থাকোতেই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব বুলিও আশংকা ব্যক্ত কৰিছে বিশেষজ্ঞসকলে। আজিৰ এই বাঘৰ আক্ৰমণৰ ঘটনাই খাৰুপেটীয়া, দলগাঁও আদি অঞ্চলত আতংকময় পৰিৱেশৰ সৃষ্টি কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষী বিষয়া বৰ্ণালীৰ ভয়ংকৰ কাণ্ড

ফাঁচী বজাৰত পাণবজাৰ আৰক্ষী থানাৰ অ'চি ভাৰ্গৱ বৰবৰাই কটনৰ ছাত্ৰ জ্ঞানদীপ হাজৰিকাক আক্ৰমণৰ চাঞ্চল্য মাৰ নৌযাওতেই ১৬ নৱেম্বৰত নাজিৰাত অসম আৰক্ষীৰ বেটেলিয়ন ভাস্কৰ গগৈয়ে সাংবাদিকক গুলীয়াবলৈ উদ্যত হৈছিল। দুয়োটা ঘটনাই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টিৰ সময়তে এইবাৰ অসম আৰক্ষীৰ মহিলা বিষয়াই তিনিমহীয়া কেঁচুৱাক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। মাতৃৰ কোলাত থকাৰ সময়ত প্ৰহাৰ কৰাত হাস্পতালত ভৰ্তি কৰিবলগীয়া হৈছে কেঁচুৱাক। একাংশ বিষয়া আৰু তলতীয়া আৰক্ষীৰ কৰ্মকাণ্ডত অসম আৰক্ষীৰ সন্মান লাঘৱ হোৱাৰ সময়তে এইবাৰ কেঁচুৱাক প্ৰহাৰৰ ঘটনা সংঘটিত হৈছে যোৰহাটত। যোৰহাট আৰক্ষী থানাৰ মহিলা উপ-পৰিদৰ্শক বৰ্ণালী গোহাঁইয়ে কেঁচুৱাক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। ডিম্পি দাস নামৰ মহিলাই নিজ দুমহীয়া সন্তানক প্ৰহাৰ কৰাৰ চাঞ্চল্যকৰ অভিযোগ আনিছে। দুৰ্ভগীয়া ডিম্পি দাসৰ অভিযোগ মতে, নিজ ঘৰতে উপ-পৰিদৰ্শক বৰ্ণালী গোহাঁই দুমহীয়া কেঁচুৱাটোক প্ৰহাৰ কৰিছিল। ইতিমধ্যে ডিম্পী দাসে যোৰহাট সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উপ-পৰিদৰ্শক বৰ্ণালী গোহাঁইৰ প্ৰহাৰত কেঁচুৱাটোৰ মগজুত আঘাত পোৱা বুলি দাবী কৰিছে। জানিব পৰা মতে, ভোগদৈ আৰক্ষী চকীৰ দল এটাই সন্দেহজনক ড্ৰাগছ ব্যৱসায়ীক ধৰিছিল। তাৰ পাছতে ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বৰ্ণালী গোঁহাইয়ে আৰক্ষী চকীখনৰ অধীনৰ বড়িগাঁৱৰ বিশ্বজিৎ দাসৰ আৱাসত দিনৰ প্ৰায় ডেৰ বজাত উপস্থিত হয়। সেই সময়ত পত্নী ডিম্পি দাস আৰু মাতৃ ঘৰত আছিল। বৰ্ণালী গোঁহাইয়ে আৰক্ষীৰ দল লৈ হঠাতে আৱাস চৌহদত প্ৰৱেশ কৰি আচ-বাব দলিয়াই, আলমিৰা খুলি কাপোৰ দলিয়াই সন্ত্ৰাসৰ সৃষ্টি কৰে। ডিম্পী দাসৰ হাতৰ পৰা মোবাইল কাঢ়ি নিয়ে। ইমানতে ক্ষান্ত নাথাকি কোলাত দুমহীয়া সন্তানটোক লৈ থকা অৱস্থাতে উপ-পৰিদৰ্শকগৰাকীয়ে ডিম্পী দাসৰ পেটত গোৰ শোধাই আৰু চৰিয়াবলৈ ধৰে। সেই সময়তে কোলাত থকা কেঁচুৱাটোৰ মূৰত এটা ঘোচা লাগে। ডিম্পী দাসৰ মাতৃ জুৰি দাসে প্ৰহাৰ নকৰিবলৈ বাধা দিছিল যদিও মাতৃকো ভাবুকি দিছিল বৰ্ণালী গোহাঁইয়ে। মোৰ ছোৱালীক কিয় মাৰিছা বুলি প্ৰশ্ন কৰাত মাতৃকো প্ৰহাৰ কৰিবলৈ উদ্যত হৈছিল বৰ্ণালীয়ে। কথা বিষম দেখি উপ-পৰিদৰ্শক বৰ্ণালী গোহাঁইয়ে ডিম্পী দাসক জেলত ভৰোৱাৰ ভাবুকি দি গুছি আহে। কেঁচুৱাটোৰ অৱস্থা বেয়াৰ ফালে ঢাল খোৱাত জেএমএফচিত ভৰ্তি কৰায়। চিটি স্কেন কৰাত মগজুত আঘাত ধৰা পৰা বুলি জানিব পৰা গৈছে। ঘৰত উপদ্ৰৱ কৰাৰ সময়ত উপ-পৰিদৰ্শক বৰ্ণালী গোহাঁইয়ে পৰিয়ালটোৱে ড্ৰাগছৰ ব্যৱসায় কৰাৰ অভিযোগ অনা বুলি জানিব পৰা গৈছে। যদিও পৰিয়ালটোৰ পৰা কোনো ধৰণৰ সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰিব নোৱাৰিলে। ইপিনে চিকিৎসকে আঘাতপ্ৰাপ্ত কেঁচুৱাটোক তাৎক্ষণিক চিকিৎসা কৰিবলৈ পৰামৰ্শ দিছে। ঘটনাটো পোহৰলৈ অহাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ৰাজ্যজুৰি।




**যোৰহাটত অনুষ্ঠিত অসম গ্ৰন্থমেলাত প্ৰিয় গ্ৰন্থ বিচাৰি গ্ৰন্থপ্ৰেমীৰ ভিৰ, দেওবাৰে**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দায়বদ্ধতা আয়োগলৈ পত্ৰ দেৱব্ৰতৰ

তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অসম আৰক্ষীৰ দায়বদ্ধতা আয়োগক এখন পত্ৰ প্ৰদান কৰি শেহতীয়াকৈ সংঘটিত ঘটনাসমূহক গুৰুত্ব দিবলৈ দাবী জনাইছে। কটনৰ ছাত্ৰ জ্ঞানদীপক বৰ্বৰভাৱে প্ৰহাৰ কৰা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা ২০২৩ৰ ধাৰা ১০৯, ১২৭(২), ১৩০, ২৯৬ আৰু ৩৫১ৰ অধীনত অতি সোনকালে গোচৰ ৰুজু কৰিবলৈ অসম আৰক্ষীক তৎক্ষণাৎ নিৰ্দেশ দিবলৈ আয়োগক দাবী জনাইছে বিৰোধী দলপতি শইকীয়াই। সংবেদনশীল তথা আৰক্ষীৰ বিষয়াৰ বৰ্বৰতাৰ কাৰ্য্যক তাৎক্ষণিকভাৱে গুৰুত্ব দি ৰাজ্যত আইনৰ শাসন, পাৰস্পৰিক সন্মান বজাই ৰখাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছে অসমৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ নেতাগৰাকীয়ে। দুই পৃষ্ঠাৰ পত্ৰখনত দেৱব্ৰত শইকীয়াই কয় যে আৰক্ষী বিভাগত কৰ্মৰত লোকসকলৰ ব্যৱহাৰ বন্ধুত্বপূৰ্ণ হোৱাটো গুৰুত্বপূৰ্ণ আৰু কৰ্তব্য। আৰক্ষী বাহিনীয়ে অত্যাধিক বল প্ৰয়োগতকৈ সংবেদনশীলতাৰে দায়িত্ব পালন কৰাটো অতি প্ৰয়োজনীয়। অসমত পূৰ্বে আৰক্ষীৰ বৰ্বৰতা, হিংসা আৰু ন্যায়িক-বহিৰ্ভূত এনকাউন্টাৰৰ ইতিহাস নাছিল। এনে কাণ্ডৰ ফলতে মানৱ অধিকাৰ আয়োগে ৰাজ্যখনৰ আৰক্ষী বাহিনীৰ ওপৰত নিৰন্তৰ দৃষ্টি দিয়াৰ প্ৰয়োজন আছে। দেৱব্ৰত শইকীয়াই পত্ৰ খনত উল্লেক কৰা মতে, শেহতীয়াকৈ গুৱাহাটীৰ ফাঁচী বজাৰত জ্ঞানদীপ হাজৰিকাৰ সৈতে অ'চি ভাৰ্গৱ বৰবৰাই সংঘটিত কৰা ঘটনাৰ ফলত জনসাধাৰণৰ বিবেক জোকাৰি গৈছে। ভাইৰেল ভিডিঅ'ত দেখা গৈছিল যে পাণবজাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই অতি বৰ্বৰতাৰে আৰু অপমান কৰি ৰাস্তাৰ মাজত জ্ঞানদীপক আক্ৰমণ কৰিছিল। বৰবৰাই ৰাজহুৱা স্থানতে জ্ঞানদীপক আক্ৰমণ কৰি ক্ষান্ত হোৱা নাই। আৰক্ষী থানালৈ নি অত্যাচাৰ কৰিছে। ভিডিঅ'ত প্ৰত্যক্ষ কৰা মতে, অসম আৰক্ষী বিষয়াগৰাকীয়ে জ্ঞানদীপক পৰিণাম ভোগাৰ ভাবুকি দিছে। অপৰাধী ভাৰ্গৱ বৰবৰাক অসম আৰক্ষীয়ে সুৰক্ষিত স্থানত ৰাখি কেৱল বিভাগীয় তদন্ত কৰিব। শইকীয়াই আৰক্ষীৰ দায়বদ্ধ আয়োগক প্ৰাৰ্থনা কৰি কয় যে ৰাজহুৱাকৈ প্ৰমাণ উপলব্ধ আছে। আয়োগে ঘটনাক গুৰুত্ব দি মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ৰ ধাৰা ১২ৰ অধীনত বিষয়া ভাৰ্গৱ বৰবৰাক অসম আৰক্ষীৰ পৰা তৎক্ষণাৎ বৰ্খাস্ত কৰক আৰু ভুক্তভোগী জ্ঞানদীপক পিছলৈ ভাবুকি যাতে দিব নোৱাৰে নিশ্চিত কৰিব লাগে। কিয়নো ভাইৰেল ভিডিঅ'টোত বাৰে বাৰে হত্যাৰ ভাবুকি দিয়া হৈছিল। আনহাতে বিৰোধী দলপতিগৰাকীয়ে ভাৰ্গৱ বৰবৰাৰ এয়া এটা ঘটনা নহয় বুলি উনুকিয়াই কয় যে আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাৰ এয়া প্ৰথম বৰ্বৰতাৰ ঘটনা নহয়। আন এটা ভিডিঅ'তত গুৱাহাটীৰ দীঘালীপুখুৰীত গছ কটাৰ বিৰুদ্ধে শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক ভাবুকি দি শাৰীৰিকভাৱে হাৰাশাস্তি কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলক বলপূৰ্বক ঠেলি দি অত্যাচাৰ কৰিছিল। সেই ছাত্ৰসকলৰ প্ৰতিবাদক গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰশংসা কৰিছে। কিন্তু ভাৰ্গৱ বৰবৰাৰ দৰে বিষয়াসকলে আন্দোলনক ভৰ্ৎসনা কৰি আৰক্ষীৰ পোছাকৰে জড়িত হৈ থকা ক্ষমতাৰ অপব্যৱহাৰ কৰিছিল। আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাৰ বিৰুদ্ধে সকলো অভিযোগৰ তদন্ত কৰিবলৈ মানৱ অধিকাৰ আয়োগৰো তাৎক্ষণিক হস্তক্ষেপৰ প্ৰয়োজন বুলিও কয় শইকীয়াই। আনহাতে, জ্ঞানদীপ কাণ্ডৰ পাছতে অসমৰ একাধিক ব্যক্তিয়ে আৰক্ষীৰ বৰ্বৰতা আৰু আৰক্ষীৰ অতিক্ৰমৰ কাহিনী প্ৰকাশ কৰা বুলি ব্যক্ত কৰি শইকীয়াই আৰু কয় যে এই সন্দৰ্ভত আয়োগে সকলো ঘটনাৰ প্ৰতি মনোযোগ দিয়ক। ৰাজ্যত নিৰ্যাতন/হিংসা/ভাবুকি/ভাবুকি/বৰ্বৰতাৰ অভিযোগ উত্থাপন কৰা এনে বিষয়াসকলৰ বিৰুদ্ধে আজিলৈকে লোৱা ব্যৱস্থাৰ প্ৰতিবেদন অসম আৰক্ষীৰ পৰা বিচাৰিবলৈকো কয় শইকীয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিলৰ সৈতে মন্ত্ৰী হ'ব মিঞা

বিষোদগাৰ প্ৰকাশ কৰি গৈছে বিৰোধী দলসমূহে। বিশেষকৈ কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি গৈছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বিহালী সমষ্টি এৰি নিদিয়াৰ অচিলাৰে অখিল গগৈয়ে 'একলা চলো' নীতি অৱলম্বন কৰিছে। বিজেপিৰ পৰিৱৰ্তে কংগ্ৰেছক ক্ষতি কৰিবলৈ অখিলে মাইনৰিটি বেল্টত ব্যাপক সভা-সমিতি পাতি গৈছে। উত্তৰ অসম, মধ্য অসম আৰু নামনি অসমত বিজেপিক লাভান্বিত কৰিবলৈ মাইনৰিটি বেল্টত প্ৰচাৰ চলোৱাত বিভিন্নজনে অখিল গগৈক সন্দেহৰ চকুৰে চাইছে। বিজেপিক সহায় কৰিবলৈ নামনিত মাইনৰিটি ভোটক বিভাজিত কৰি ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ সমানে সমানে প্ৰাৰ্থী থিয় কৰাবলৈ ব্লুপ্ৰিন্ট ৰচাৰ অভিযোগৰ মাজতে আজি অখিল গগৈৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে কংগ্ৰেছীৰ বিসম্বাদী তথা নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে। অখিল গগৈয়ে গোপনে নামনি অসমত একাংশ ধুৰন্ধৰ সংখ্যালঘু নেতাক লৈ কংগ্ৰেছক ক্ষতি কৰিবলৈ জাল পেলোৱা বুলি অভিযোগৰ মাজতে শ্বেৰমান আলী আহমেদৰ দৰে কংগ্ৰেছৰ বিসম্বাদী নেতাই অখিল গগৈৰ সৈতে মন্ত্ৰী হোৱাৰ কথা অকপটে স্বাকীৰ কৰিছে। নিজ সমষ্টি বাঘবৰত আজি অনুষ্ঠিত এখন ৰাজহুৱা সভাত নিলম্বিত কংগ্ৰেছী বিধায়কজন মুকলিকৈ অখিল গগৈক সমৰ্থন কৰে। ২০২৬ চনত ৰাইজৰ দল চৰকাৰৰ অংশীদাৰ হ'লেই শ্বেৰমান আলী আহমেদ মন্ত্ৰী হ'ব বুলি দাবী কৰিছে। ইমানে নহয় শ্বেৰমানক কি বিভাগ লাগিব সেই কথাও কৈ দিছে অখিল গগৈক। জলসম্পদ, ৰাজহ বিভাগৰ মন্ত্ৰী হোৱাৰ ইচ্ছা প্ৰকাশ কৰি শ্বেৰমানে কয় যে মই এই দুটা বিভাগৰ মন্ত্ৰী হোৱাৰ কথা অখিল গগৈক জনাই দিছো। মোক শিক্ষা অথবা গড়কাপ্তানি বিভাগৰ প্ৰস্তাৱ দিছিল অখিল গগৈয়ে। কিন্তু জলসম্পদ আৰু ৰাজহ বিভাগৰ মন্ত্ৰিত্ব লাগিব। লগতে ২০২৬ চনৰ নতুন চৰকাৰৰ অংশীদাৰ যদি ৰাইজৰ দল হয় তেন্তে ৰাইজৰ দলে দুজন মন্ত্ৰী বিচাৰিব। অখিল গগৈ আৰু শ্বেৰমান আলী ৰাইজৰ দলৰ কোটাৰ পৰা মন্ত্ৰী হ'ব। এই কথাও শ্বেৰমানে জনাই দিছে অখিল গগৈক। ইপিনে শ্বেৰমান আলী আহমেদৰ মন্তব্যৰ পিছতে নামনি অসমত সংখ্যালঘু এলেকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ লাভ কৰিছে। কিয়নো মুখ্যমন্ত্ৰীক হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনীতিক সহায় কৰিবলৈ সময়ে সময়ে বিতৰ্কিত মন্তব্য দি আহিছে শ্বেৰমান আলীয়ে। সংখ্যালঘুক আক্ৰমণ কৰিবলৈ সুবিধা দি লাঞ্চিত কৰি আহিছে শ্বেৰমানে। কলাক্ষেত্ৰত মিঞা মিউজিয়াম খুলি লুঙী সংৰক্ষণ কৰিবলৈ দাবী জনাই অসমৰ সংখ্যালঘু সমাজক অপমান কৰিবলৈ সুবিধা দিছিল এইজন শ্বেৰমানে। সেইজন শ্বেৰমানৰ মুখত এতিয়া অখিল গগৈৰ নাম। তলে তলে সঁচাকৈয়ে অখিল গগৈয়ে কংগ্ৰেছৰ বিৰোধীসকলৰ সৈতে হাত মিলাই বিজেপিক সহায় কৰিব খুজিছে নেকি? কংগ্ৰেছৰ শত্ৰু মানেই এতিয়া অখিল গগৈৰ মিত্ৰ নেকি? বিজেপিক সহায় কৰিবলে যিকোনো পৰ্যায়লৈ যাব নেকি অখিল গগৈ? এনে কথা এতিয়া নামনি অসমত চৰ্চা হ'ব ধৰিছে। ইপিনে শ্বেৰমান আলীক প্ৰত্যুত্তৰ দিছে ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্ক' ডি শইকীয়াই। ভাস্ক' ডি শইকীয়াই কয় যে শ্বেৰমান আলীৰ দৰে সাম্প্ৰদায়িক, নিজ দলক বিশ্বাসঘাতকতা কৰা, হিমন্ত বিশ্ব শৰ্মাৰ ভৃত্যৰ ৰাইজৰ দলত কোনোধৰণৰ স্থান নাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ জ্বলিছে মণিপুৰ, বিদেশ ভ্ৰমণত

উঠিছে। কালিৰে পৰা পুনৰ জ্বলি উঠা মণিপুৰত মেইটেই সম্প্ৰদায় ৰাজপথলৈ ওলাই অহাত পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰিছে। মেইটেই সম্প্ৰদায়ৰ উত্তেজিত জনতাই এইবাৰ বিজেপিৰ মন্ত্ৰী-বিধায়কক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিৰ মন্ত্ৰী-বিধায়কসকলক ইম্ফলৰ সুৰক্ষিত স্থানলৈ লৈ যোৱা হৈছে। বিজেপিৰ মন্ত্ৰী-বিধায়কক আৱাসৰ পৰা আতৰাই ৰাখিছে কিয়নো বিগত ২৪ ঘন্টাত কেবাজনো বিজেপিৰ বিধায়কক লক্ষ্য কৰি লৈছিল মেইটেই সম্প্ৰদায়ৰ ক্ষোভিত জনগণে। ৰাজ্যৰ এজন মন্ত্ৰীকে ধৰি মুঠ ১৩ জনৰ নেতাৰ বাসগৃহত জ্বলাই দিছে। বিজেপিৰ ৯ জন বিধায়ক, এজন কংগ্ৰেছ বিধায়ক, এজন জেডিইউৰ বিধায়ক আৰু এজন নিৰ্দলীয় বিধায়কৰ ঘৰ আক্ৰমণ কৰিছে সা-সম্পত্তি জ্বলাই দিছে।
বিধায়কসকলৰ ঘৰত আক্ৰমণ কৰা ঘৰৰ সা-সামগ্ৰী ভাঙি পেলাইছে। পৰিস্থিতি চম্ভালিব নোৱাৰা হৈ পৰাত পুনৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে যদিও ব্যাপক হাৰত মেইটেই লোক পথলৈ ওলাই অহাত ৰাজপথত যুদ্ধসদৃশ পৰিস্থিতি দেখা গৈছে। ক্ষুব্ধ জনতাই ৰাজনৈতিক দলৰ নেতা, মন্ত্ৰী-বিধায়কৰ ঘৰবোৰক লক্ষ্য কৰি লৈছে আক্ৰমণ কৰি গৈছে। এই পৰ্যন্ত ১২ বিজেপি-বিধায়ক, এজন কংগ্ৰেছ নেতা-বিধায়ক, এজন জেডিইউৰ বিধায়ক আৰু এজন নিৰ্দলীয় বিধায়কৰ ঘৰত আক্ৰমণ সংঘটিত হৈছে। মন্ত্ৰী-বিধায়কৰ বাসগৃহত আক্ৰমণৰ লগতে জিৰিবামত কেইবাটাও গীৰ্জাসহ জ্বলাই দিয়া হৈছে।
জিৰিবামৰ জাইৰন গাঁৱত মেইটেই আৰু কুকিৰ মাজত গুলিয়াগুলী লাগে। ফলত ঠায়ে ঠায়ে সান্ধ্য আইন জাৰি কৰা হৈছে আৰু দুদিনৰ বাবে ইম্ফলসহ কেইবাটাও এলেকাত বন্ধ কৰি দিয়া হৈছে ইণ্টাৰনেট সেৱা। ৰাজধানী ইম্ফল, চুড়াচান্দপুৰ, বিষ্ণুপুৰসহ কেইবাটাও এলেকাত দিনৰ পৰাই নিশা পৰ্যন্ত ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি গৈছে হাজাৰ হাজাৰ মেইটেই লোকে। কালি তিনিজন বিধায়কৰ ঘৰত আক্ৰমণ কৰি সা-সম্পত্তি লণ্ড-ভণ্ড কৰিছে। কালি বিজেপি বিধায়ক আৰ.কে ইমো সিং, এল চুচিন্দ্ৰো মেইটেই, সপম কুঞ্জেকেশ্বৰ সিঙক ভিৰে লক্ষ্য কৰি লৈছিল। ১১ নৱেম্বৰত জিৰিবাম জিলাৰ বড়োবেক্ৰা আৰক্ষী থানাৰ অন্তৰ্গত শিবিৰৰ সমীপত সন্দেহযুক্ত কুকি বিদ্ৰোহীয়ে এটা চিআৰপিএফৰ শিবিৰত আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে দুয়োপক্ষৰ সংঘৰ্ষত নিহত হৈছিল ১০ সন্দেহনজনক বিদ্ৰোহী। তাৰ পাছতে ১২ নৱেম্বৰত কুকি বিদ্ৰোহীয়ে মেইটে সম্প্ৰদায়ৰ এটি ৮ বছৰীয়া, এটি আঢ়ৈ বছৰীয়া, এটি ১০ মহীয়া কেঁচুৱা আৰু তিনি মহিলাক অপহৰণ কৰে। তাৰ পাছতে ১৫ আৰু ১৬ নৱম্বৰত তিনিটা তিনিটাকৈ দুই ঠাইত গিলগাল অঞ্চলৰ বৰাক নৈত ৮ বছৰীয়া, আঢ়ৈ বছৰীয়া, ১০ মহীয়া কেঁচুৱা আৰু তিনি মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে পুনৰ জ্বলি উঠিছে মণিপুৰ। ইপিনে আজি কংগ্ৰেছ নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী ওক্ৰাম ইববি সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ জৰুৰীভাৱে হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। সিঙে অভূতপূৰ্ব হিংসা আৰু আইন-শৃংখলাৰ গুৰুতৰৰ পৰিস্থিতিৰ মাজত সাংবিধানিক শাসন বজাই ৰখাত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰে। আজি আমি অস্থিৰতা, অবিশ্বাসৰ পৰিৱেশৰ সন্মুখীন হৈছো। নৰজাতক আৰু মহিলাসকলেও তেওঁলোকৰ জাতি বা ধৰ্ম নিৰ্বিশেষে ভুক্তভোগী হৈছে। এই পৰিস্থিতিটো ৰাজ্য আৰু কেন্দ্ৰীয় উভয় স্তৰত শাসনৰ বিফলতাৰ পোনপটীয়া ফলাফল। সম্পূৰ্ণৰূপে নিন্দনীয় বুলি সিঙে মন্তব্য কৰে। তাৎক্ষণিক পদক্ষেপ অপৰিহাৰ্য বুলি সতৰ্ক কৰি দি কেন্দ্ৰৰ হস্তক্ষেপ অবিহনে আৰু বিধায়কসকলৰ সামূহিক পদত্যাগকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব পাৰে বুলি ইংগিত দিয়ে। ওক্ৰাম ইবোবি সিঙে মুখ্যমন্ত্ৰী এন বীৰেন সিঙক প্ৰধানমন্ত্ৰী মোদীৰ সৈতে জৰুৰীভাৱে বৈঠকৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। অন্যথাই মণিপুৰৰ জনপ্ৰতিনিধিসকলে সমূহীয়া পদত্যাগ গ্ৰহণ কৰিব পাৰে বুলিও ইংগিত দিয়ে। ইপিনে দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে পুনৰ মণিপুৰক লৈ আক্ৰমণৰ লক্ষ্য কৰি লৈছে বিজেপি দল তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ চিন্তা ব্যক্ত কৰি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে এটা টুইট কৰি কয় যে গভীৰ অশান্তিকৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোয়ে হিংসাত জৰাজীৰ্ণ ৰাজ্যখন ভ্ৰমণ কৰি পুনৰ শান্তি ঘূৰাই অনা দিশত কাম কৰিব লাগে। ৰাহুল গান্ধীয়ে কয় যে মণিপুৰত শেহতীয়াকৈ ধাৰাবাহিকভাৱে সংঘটিত হৈ থকা হিংসাত্মক সংঘৰ্ষ আৰু অব্যাহত থকা ৰক্তপাত গভীৰ অশান্তিকৰ। এবছৰতকৈও অধিক সময় বিভাজন আৰু দুখ-কষ্টৰে পাৰ কৰা ৰাজ্যখনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সমস্যা সমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলে সমাধান বিচাৰি পালেহেঁতেন বুলি প্ৰতিজন ভাৰতীয়ই আশা কৰিছিল। মই পুনৰবাৰ প্ৰধানমন্ত্ৰীক মণিপুৰ ভ্ৰমণ কৰি শান্তি আৰু হিংসাত্মক পৰিস্থিতি শাম কটোৱাৰ দিশত কাম কৰিবলৈ আহ্বান জনাইছো।' ইপিনে বিজেপিৰ নেতা তথা প্ৰাক্তন ৰাজ্যসভাৰ সাংসদ সুব্ৰমণিয়াম স্বামীয়ে তীব্ৰ আক্ৰমণ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। সুব্ৰমণিয়াম স্বামীয়ে এটা টুইট কৰি কয় যে "প্ৰধানমন্ত্ৰী নাইজেৰিয়ালৈ গৈছে কিন্তু মণিপুৰলৈ যোৱা নাই। য'ত নিৰীহ মহিলা আৰু শিশুসকলক হিন্দু হোৱাৰ বাবেই হত্যা কৰা হৈছে। হিন্দুত্ব মোদীৰ দ্বাৰা প্ৰচলিত আৰু আমাৰ দ্বাৰা ওকালতি কৰা হয় নেকি বুলিও প্ৰশ্ন কৰে স্বামীয়ে? মণিপুৰত বিজেপিৰ সংগ ত্যাগ কৰিছে মেঘালয়ৰ শাসকীয় দল এনপিপিয়ে। আজি মেঘালয়ৰ মুখ্যমন্ত্ৰী তথা এনপিপিৰ মুৰব্বী কনৰাড চাংমাই এই কথা প্ৰকাশ কৰিছে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই মণিপুৰৰ জাতিগত হিংসাৰ মোকাবিলা আৰু আইন-শৃংখলাৰ অৱনতিত অসন্তুষ্টি প্ৰকাশ কৰি মণিপুৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিছে। কনৰাড চাংমাই বিজেপিৰ সভাপতি জে পি নাড্ডাক দিয়া পত্ৰত উল্লেখ কৰিছে যে সাতজন বিধায়ক মিত্ৰজোঁটৰ পৰা আতৰোৱাৰ সিদ্ধান্ত লোৱা হৈছে। সংকটৰ সময়ত মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ চৰকাৰে স্বাভাৱিক অৱস্থা পুনৰুদ্ধাৰ কৰাত ব্যৰ্থ হোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰি মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰত বুলি কয় কনৰাডে। নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে আৰু সম্প্ৰদায়সমূহ ক্ষতিগ্ৰস্ত হৈছে। আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে বৰ্তমানৰ নেতৃত্বই গুৰুত্বপূৰ্ণ সমস্যা সমাধানত চৰকাৰ ব্যৰ্থ হৈছে বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। এনেদৰে এতিয়া ভয়াবহ হৈ পৰিছে ৰাজ্যখনৰ পৰিৱেশ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁৱৰ গৌৰী বেকাৰীত হত্যাকাণ্ড

হত্যা কৰে সহকৰ্মী দুই কৰ্মচাৰীক। এই ঘটনা সংঘটিত হৈছে নগাঁৱৰ এটা বেকাৰী । নগাঁৱৰ গৌৰী বেকাৰীত সংঘটিত হয় এই শিহৰনকাৰী ঘটনা। চহৰখনৰ আমোল্লাপট্টিত থকা বেকাৰীৰ তিনি কৰ্মচাৰী উত্তম দাস, অভিজিৎ সাহা আৰু ইন্দ্ৰজিৎ পালৰ মাজত নিশা কোনো কথাক লৈ সংঘাত লাগে। এই সংঘাতৰ পৰিণতিস্বৰূপেই ইন্দ্ৰজিৎ পালে উত্তম আৰু অভিজিতক মৰিয়াই মৰিয়াই হত্যা কৰে। বেকাৰীটোত ব্যৱহাৰ হোৱা বেলনা মাৰিকেই অস্ত্ৰ হিচাপে লৈ ইন্দ্ৰজিতে উত্তম আৰু অভিজিতক মৰিয়াই মৰা বুলি আৰক্ষীৰ আগত প্ৰাৰম্ভিক পৰ্যায়ত স্বীকাৰোক্তি দিছে। আৰক্ষীৰ মতে হত্যাত অভিযুক্ত ইন্দ্ৰজিতে দুই মৃতদেহৰ কাষত পুৱালৈকে বহি আছিল। কোঠাৰ ভিতৰত মৃতদেহৰ কাষত বহি থকা অৱস্থাত পুৱা আৰক্ষীয়ে ইন্দ্ৰজিৎ পালক গ্ৰেপ্তাৰ কৰি আনে। এই ঘটনাক লৈ সমগ্ৰ নগাঁও চহৰখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী অধীক্ষক উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুয়োটা মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। নিশা কি কথাক লৈ কাজিয়া হৈছিল সেয়া জানিব পৰা হোৱা নাই।

# পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱৰ উদ্‌যাপন সমিতিৰ মহাৰজত জয়ন্তী বৰ্ষ

**ই-সংবাদ, পুৰণিগুদাম, ১৭ নবেম্বৰ:** অসমৰ বৈচিত্ৰ্যপূৰ্ণ ভাষা, সাহিত্য,কৃষ্টি-সংস্কৃতিয়ে আমাৰ জাতিটোৰ আৰু আমাৰ সমাজ জীৱন সমৃদ্ধিশালী কৰে তথা আমাৰ চিন্তাৰ পৰিধি বঢ়ায়। এই মন্তব্য তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ প্ৰাধ্যাপক, চিন্তানায়ক ড° চন্দন শৰ্মাৰ। পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱৰ মহাৰজত জয়ন্তীৰ আজি তৃতীয় দিনা মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভাখন অনুষ্ঠিত হয়।আজি পুৱা ৯ বজাত অসম বিজ্ঞান সমিতিৰ পুৰণিগুদাম শাখাৰ সহযোগত বৃক্ষৰোপণ আৰু পুৱা ১১ বজাত পদুমণি গাঁৱৰ ৰাইজৰ দ্বাৰা নামপ্ৰসঙ্গ অনুষ্ঠিত হয়। বিয়লি দুই বজাৰ পৰা মহাৰজত জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠান।উক্ত অনুষ্ঠানত পাৰুল গায়নে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ "বংশীধ্বনি" উন্মোচন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ প্ৰাধ্যাপক ড° চন্দন শৰ্মাই।বিশিষ্ট অতিথি হিচাপে আৰু স্মৃতিগ্ৰন্থ উন্মোচক হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ প্ৰাধ্যাপক ড° চন্দন শৰ্মা উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে, বৈষ্ণৱ পন্থা বা সংস্কৃতি অসমৰ বহু পুৰণি পন্থা যদিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱ-বৈষ্ণৱবাদ প্ৰৱৰ্তনৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণী মানুহৰ বাবে, জাতি,উপজাতি-জনজাতিৰ মাজত বোধগম্য কৰিলে,সৰল কৰি দিলে।অসমীয়া মানুহৰ ক'ৰবাত কিবা এটা সমস্যা আছে। হয়তো আত্মবিশ্বাসৰ অভাৱ হৈছে আৰু সেইকাৰণে নিজস্বতাক বাদ দি উটি-ভাঁহি যোৱাৰ প্ৰৱণতা আহিছে। পৰিৱৰ্তন আমাৰ কাম্য। যদিও বিজতৰীয়া সংস্কৃতিক আদৰি লোৱাৰ প্ৰয়োজনীয়তা নাই বুলি মন্তব্য কৰে।পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱ উদ্‌যাপন সমিতৰ সম্পাদক দ্বীপেন বৈৰাগী আঁট ধৰা মুকলি সভা খনত পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি সদ্যপ্ৰয়াত পূৰ্ণচন্দ্ৰ গায়নৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ,বিশিষ্ট সাহিত্যিক কৃষ্ণ গোস্বামী আৰু বিশিষ্ট সমাজসেৱক,শিক্ষাবিদ পুলিন হাজৰিকাই। অনুষ্ঠানৰ আৰম্ভণিতে চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়নে মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱ বিৰচিত এটি শ্ৰুতিমধুৰ বৰগীত পৰিৱেশন কৰি অনুষ্ঠানটো সফল কৰি তোলে। উক্ত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ সদানন্দ পায়েং উপস্থিত থাকি ৰাসৰ বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। সভাত সদ্যপ্ৰয়াত পূৰ্ণ চন্দ্ৰ গায়নক পুৰণিগুদাম আঞ্চলিক ৰাসোৎসৱৰ মহাৰজত জয়ন্তী উদযাপন সমিতিয়ে “সমাজৰত্ন" উপাধি প্ৰদান কৰে।

# ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ মুক্তিৰ দখলত মৈৰাবাৰী মহাবিদ্যালয়

**ই-সংবাদ, মৈৰাবাৰী, ১৭ নবেম্বৰঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ মুছলিম অধ্যুষিত অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান মৈৰাবাৰী মহাবিদ্যালয়ত শনিবাৰে ছাত্ৰ-একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। বিগত কেইবাদিন ধৰি কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মনোনয়ন পত্ৰ দাখিলৰ পিছত বিনা প্ৰতিদ্বন্দিতাত বিজয়ী হোৱা ছাত্ৰ কেইজন ক্ৰমে: সভাপতি পদত জুৱেল আনচাৰী, উপ সভাপতি ছাহিল ইছলাম, সাংস্কৃতিক সম্পাদক ফাৰিচ আহমেদ, ক্ৰীড়া সম্পাদক ফাৰদিন, আলোচনী সম্পাদক ৰেজুৱান আহমেদ কাওছাৰী, দৰিদ্ৰ পুঁজি সম্পাদক আনচাৰুল হক, ছাত্ৰী জিৰণি কোঠা সম্পাদিকা ৰুমা খাতুন আৰু তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক আজমল শ্বেক আলম। ইয়াৰে সভাপতি পদত বিনা প্ৰতিধন্ধীতাত নিৰ্বাচিত হোৱা জুৱেল আনচাৰী হৈছে এআইইউডিএফ দলৰ সমৰ্থিত প্ৰাৰ্থী। বিপৰীতে অন্যান্য আটাই কেইজন বিজয়ী প্ৰাৰ্থী হৈছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সমৰ্থিত। প্ৰতিদ্বন্দিতা কৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে সাধাৰণ সম্পাদকৰ পদত জয়ী হয় জুনাইদুৰ ৰহমান। জুনাইদুৰ ৰহমানে প্ৰতিদ্বন্দী প্ৰাৰ্থী ছাদিকুল ইছলামক ৮১ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। সাধাৰণ সম্পাদক পদৰ বাবে দুয়োগৰাকী ছাত্ৰই ক্ৰমে ছাদিকুল ইছলামে ৫৬৯ টা ভোট আৰু জুনাইদুৰ ৰহমানে মুঠ ৬৫০ টা ভোট লাভ কৰে।



ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰচাৰত সাংসদ গৌৰৱ গগৈৰ সৈতে আৰ জে ডি নেতা তেজস্বী যাদৱ

# সোণাৰিত চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চ্যুকাফা মহোৎসৱৰ আয়োজন

**ই-সংবাদ, সোণাৰি, ১৭ নৱেম্বৰঃ** বৃহত্তৰ অসমীয়া জাতিৰ জনক, বৰ অসমৰ ৰূপকাৰ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ অৱদান আৰু আদৰ্শ সোঁৱৰি মৈত্ৰীৰ মন্ত্ৰৰে উদ্বুদ্ধ হোৱাৰ মানসেৰে প্ৰতিবছৰে দুই ডিচেম্বৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত ঐতিহ্যমণ্ডিত চৰাইদেউৰ সোণাৰিত কেন্দ্ৰীয়ভাৱে চ্যুকাফা দিৱস (অসম দিৱস) উদযাপন কৰি অহা হৈছে। এইবাৰ চ্যুকাফা দিৱসটি অনন্য ৰূপত উদযাপনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। গ্ৰন্থ মেলা, বাণিজ্য মেলা, থলুৱা খাদ্য মেলা আৰু বিভিন্ন বৰ্ণিল অনুষ্ঠানৰ সমাহাৰেৰে অহা ২৯,৩০ নৱেম্বৰ, ১ আৰু ২ ডিচেম্বৰত আয়োজন কৰা হৈছে। এই উদ্দেশ্যে বিশিষ্ট সমাজকৰ্মী সমুদ্ৰ প্ৰসাদ বৰুৱাক সভাপতি, ৰাজীৱ ৰাজকোঁৱৰ আৰু উত্তম চাংমাইক কাৰ্যকৰী সভাপতি, ছাবিৰ আহমেদ আৰু সুজিত বৰাক যুটীয়া সম্পাদক হিচাপে লৈ চ্যুকাফা মহোৎসৱ উদযাপন সমিতি গঠন কৰা হৈছে। উদযাপন সমিতিয়ে জানিবলৈ দিয়া অনুসৰি চ্যুকাফা মহোৎসৱৰ মুকলি সভাতেই টাই সংস্কৃতিৰ গৱেষক তথা বিশিষ্ট নাট্যকাৰ, শিক্ষাবিদ ড° পুষ্প গগৈক তৃতীয় বাৰ্ষিক চ্যুকাফা সমন্বয় সাংস্কৃতিক বঁটা প্ৰদান কৰা হ'ব। আনহাতে কাৰ্যসূচী অনুসৰি ২৯ নৱেম্বৰত বাণিজ্য মেলা, গ্ৰন্থ মেলা আৰু খাদ্যমেলাৰ দ্বাৰ মুকলিৰ পাছত সদৌ অসম ভিত্তিত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৩০ নৱেম্বৰত সদৌ অসম ভিত্তিত অনুষ্ঠিত হবলগীয়া দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰিব সুবক্তা তথা বিশিষ্ট সাংবাদিক এঞ্জেলা চাংমাইয়ে। এক ডিচেম্বৰত সদৌ অসম কুইজ প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে দুই ডিচেম্বৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, সতীৰ্থ স্মৰণৰ পাছতেই স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পনৰ লগতে ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইৰ সভাপতিত অনুষ্ঠিত হবলগীয়া মুকলি সভাখন উদ্বোধন কৰিব চৰাইদেউ জিলা আয়ুক্ত নেহা যাদৱে। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব লগীয়া মুকলি সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত। ৰাজ্যৰ কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰ লগতে বহু কেইগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকিব লগীয়া সভাখনত বিশিষ্ট সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই স্মৃতিগ্ৰন্থ "মৌং নুক নন নাম" উন্মোচন কৰিব। নিশালৈ অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে গীত পৰিৱেশন কৰিব।

# জালাহত অসম আৰক্ষীৰ শিশু মিত্ৰ কাৰ্যসূচী পালন



**ই সংবাদ, মুছলপুৰ, ১৭ নৱেম্বৰ:** সমগ্ৰ ৰাজ্যৰ লগতে বাক্সা জিলাৰ জালাহত আজি বাক্সা আৰক্ষীৰ অধীনৰ শিমলা আৰক্ষী থানাৰ উদ্যোগত আৰু ডাঃ অনন্ত একাডেমী,জালাহৰ সহযোগত অসম আৰক্ষীৰ শিশু মিত্ৰ কাৰ্যসূচীৰ অধীনত 'শিশু অধিকাৰ সপ্তাহ-২০২৪' উদযাপন কৰা হয় । এই উপলক্ষে বাক্সাৰ জালাহস্থিত ডাঃ অনন্ত একাডেমীত অনুষ্ঠিত হোৱা সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বাক্সা জিলাৰ শালবাৰী মহকুমাৰ মহকুমা আৰক্ষী বিষয়া সুধন্য শুক্লবৈদ্যই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে । ডাঃ অনন্ত একাডেমীৰ অধ্যক্ষ ভৱেশ শৰ্মাই সভাপতিত্ব কৰা সভাত শিমলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দন গগৈ, জালাহ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গায়ত্ৰী গগৈ, শিমলা থানা সমিতিৰ অধ্যক্ষ ভৱেশ দাস, জালাহ উন্নয়ন সমিতিৰ সম্পাদক সত্যজিৎ দাস আদিকে কৰি কেবাগৰাকী বিশিষ্ট ব্যক্তি আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে ।

## ইউ.এছ আৰ্ট গেলেৰীয়ে অনুষ্ঠিত কৰা অনুষ্ঠানত বটাঁ প্ৰদান

# যুৱ নৃত্যশিল্পী নম্ৰতা দাসক নেচনেল স্মাচিং টেলেণ্ট এৱাৰ্ড

**ই-সংবাদ, গুৱাহাটী, ১৭ নৱেম্বৰঃ** কৈশোৰ-শৈশৱৰ পৰাই গীত-নৃত্যৰ সাধনা কৰি ডাঙৰ হোৱা গুৱাহাটীৰ লাচিত নগৰৰ যুৱ নৃত্যশিল্পী নম্ৰতা দাসে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন মঞ্চত শাস্ত্ৰীয়, আধুনিক নৃত্য প্ৰদৰ্শন তথা প্ৰতিযোগিতাত অংশ লৈ উজ্বলি উঠা যুৱ নৃত্যশিল্পী নম্ৰতা দাসে তেওঁৰ কামৰ বাবে স্বীকৃতি লাভ কৰিছে। স্বীকৃতি প্ৰদান কৰিছে ইউ.এছ আৰ্ট গেলেৰীয়ে। গুৱাহাটীৰ লাচিত নগৰৰ কন্যা নম্ৰতাক ইউ.এছ আৰ্ট গেলেৰীয়ে অনুষ্ঠিত কৰা বঁটা প্ৰদান আৰু প্ৰদৰ্শনী অনুষ্ঠানত নেচনেল স্মাচিং টেলেণ্ট এৱাৰ্ড-২০২৪ প্ৰদান কৰিছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নৃত্যশিল্পী নম্ৰতাক এই সন্মান প্ৰদান কৰা হৈছে। লাচিত নগৰৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত নৃত্য শিল্পী গণেশ চন্দ্ৰ দাস আৰু কৰবি দাসৰ কন্যা নম্ৰতা দাস। পিতৃ-মাতৃৰ তত্বাৱধানত সৰুৰে পৰা নৃত্যৰ সাধনা কৰা নম্ৰতাই অতি কম সময়ৰ ভিতৰতে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। ১৫ নৱেম্বৰত অসমত প্ৰথমবাৰ ইউ.এছ আৰ্ট গেলেৰীয়ে নেচনেল স্মাচিং টেলেণ্ট এৱাৰ্ড-২০২৪ অনুষ্ঠিত কৰিছিল। দেশৰ বিভিন্ন প্ৰান্তৰ শিল্পীয়ে অংশগ্ৰহণ কৰা বঁটা প্ৰদান আৰু প্ৰদৰ্শনী নলবাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহ গৃহত অনুষ্ঠিত হয়। ইউ.এছ আৰ্ট গেলেৰীৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া উপাসনা শৰ্মাৰ উদ্যোগত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নেচনেল স্মাচিং টেলেণ্ট এৱাৰ্ড প্ৰদান কৰা হয়। দেশৰ কেবাখনো ৰাজ্যৰ লগতে অসমৰ কেবাগৰাকী যুৱক-যুৱতীয়ে নিজ প্ৰতিভাৰে উজ্বলি উঠিবলৈ সক্ষম হৈছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল শংকৰ ঘনশ্যাম দাস আন্দানি, নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকা। সমগ্ৰ দেশৰ ১৫০গৰাকীতকৈ




অধিক লোকে অংশ লৈছিল যদিও ৩১ প্ৰতিভাক বঁটাৰ বাবে বাছনি কৰা হয়। ইয়াৰ ভিতৰত অন্যতম আছিল নম্ৰতা দাস। নম্ৰতা দাসৰ নৃত্য প্ৰতিভাক ভূয়সী প্ৰশংসা কৰিছে অতিথিসকলে। নৃতকলাৰে জড়িত প্ৰতিভা চিনাক্ত কৰি উপযুক্ত মঞ্চ প্ৰদানৰ হেতুকে ইউ.এছ আৰ্ট গেলেৰীয়ে নেচনেল স্মাচিং টেলেণ্ট এৱাৰ্ড-২০২৪ অনুষ্ঠিত কৰা বুলি জানিবলৈ দিয়ে।

# কাকজানত ২৮৯ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ১৭ অক্টোবৰঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত অসম মৰাণ সভাৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসন, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভাৰ সহযোগত ১৯ আৰু ২০ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডুমডুমাৰ নিলগৰ কাকজানৰ ৰজা বদৌচা সমন্বয় ক্ষেত্ৰ (ৰাজহুৱা প্ৰেক্ষাগৃহ) বিশ্বৰ সৰ্বপ্ৰথম গণ-বিপ্লৱৰ প্ৰধান নেতা বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক দিৱস আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।
কাৰ্যসূচীঅনুসৰি, ১৯ নৱেম্বৰৰ পুৱা ৫ বজাত ডুমডুমা বাইপাছৰ পৰা কাকজান সভাস্থলীলৈ মাৰাথান দৌৰ প্ৰতিযোগিতাৰে অনুষ্ঠানৰ আৰম্ভণি কৰা হ'ব। ইয়াৰ উদ্বোধন কৰিব তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসে। ৮ বজাত "ৰজা বদৌচা সমন্বয় ক্ষেত্ৰ"ৰ উদ্বোধন কৰিব জিলা আয়ুক্ত স্বপ্নীল পালে। ৮:৩০ বজাত পতাকা উত্তোলন, ৯ বজাত স্মৃতি তৰ্পণ আৰু বীৰ ৰাঘৱ মৰাণৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণৰ পিছতে ৯:১৫ বজাত নামঘৰৰ ধৰ্মীয় কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব তিনিচুকীয়া জিলা সত্ৰ মহাসভাৰ সভাপতি বীৰেন মহন্তই। ৯:৩০ বজাত গছপুলি ৰোপণ, ১০ বজাত মোৱামৰীয়া গণ-বিপ্লৱৰ বীৰ " নাহৰখোৱা মঞ্চ " উদ্বোধন কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি মোহন মৰাণে। চিত্ৰাংকণ, বীৰ ৰাঘৱ মৰাণৰ ওপৰত ৰচনা লিখন, মৰাণ কথিত ভাষাৰ কবিতা আবৃত্তি, কুইজ, তৰ্ক, বিয়া নাম, টেকেলী ভঙা, ৰছী টনা (কেৱল মহিলাৰ বাবে) আৰু মৰাণ বিহু গীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বহিঃৰাজ্যত নিৰুদ্দেশ কৰ্ম সংস্থাপনৰ বাবে যোৱা নগাঁৱৰ যুৱক

**ই-সংবাদ, বেবেজীয়া, ১৭ নৱেম্বৰঃ** সময়ে সময়ে বহিঃৰাজ্যত কৰ্ম সংস্থাপনৰ বাবে যোৱা অসমৰ যুৱক ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ অহাৰ সময়তে পুনৰ সংঘটিত হৈছে অনুৰূপ ঘটনা। এইবাৰ বহিঃৰাজ্যত সন্ধানহীন হৈছে নগাঁও জিলাৰ এজন ৩৪ বছৰীয়া যুৱক। বিগত এসপ্তাহ ধৰি সন্ধানহীন হৈ থকা এই যুৱকজন হৈছে জিলাখনৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন হাতীযুঁজোৱাৰ নুৰুল ইছলাম। আচলতে দৰিদ্ৰ পৰিয়ালৰ যুৱকজনে কৰ্ম সংস্থাপনৰ বাবে বাংগালুৰুলৈ গৈছিল। কিন্তু আশ্চৰ্যজনকভাৱে যোৱা ১১ নবেম্বৰৰ পৰা নিখুঁজ হৈ পৰে যুৱকজন। আনকি যুৱকজনৰ ম'বাইল ফোনটোও চুইটছ অফ হৈ থকাত পৰিয়ালৰ লোকসকল চৰম দুশ্চিন্তাত মানসিকভাৱে ভাগি পৰিছে। ইফালে, পৰিয়ালৰ লোকসকলে নিৰুদ্দিষ্ট যুৱকজনৰ সন্ধান বিচাৰি সম্ভাব্য সকলো ঠাইতে বিচাৰ-খুচাৰ কৰিছে যদিও যুৱকজনৰ কোনো শুং-সূত্ৰ উলিয়াবলৈ সক্ষম নোহোৱাত উপায়হীন হৈ যুৱকজনৰ দুৰ্ভগীয়া পৰিয়ালবৰ্গ সংবাদ মাধ্যমৰ লগতে স্থানীয় আৰক্ষীৰ কাষ চাপিছে। সেয়ে যদি কোনো সদাশয় ব্যক্তিয়ে নিৰুদ্দিষ্ট যুৱকজনৰ কিবা সম্ভেদ পায় তেন্তে ওচৰৰ আৰক্ষী থানা, 60027-09635 আৰু 60006-00272 নম্বৰত যোগাযোগ কৰিবলৈ যুৱকজনৰ দুৰ্ভগীয়া পৰিয়ালবৰ্গই অনুৰোধ জনাইছে।



সাংগাঠনিক কামত মাজতে ডিগবৈত কৃষকৰ খেতিত পানী দিলে বিধায়ক অখিল গগৈয়ে

# ৰহিমা বিবি উচ্চ মাধ্যমিক বিদ্যালয় আৰু ভোলাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ বঁটা বিতৰণী সভা

**ই-সংবাদ, মিৰ্জা, ১৭ নৱেম্বৰঃ** পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰহিমা বিবি উচ্চ মাধ্যমিক বিদ্যালয় ভোলাগাঁও আৰু ভোলাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ আজি বঁটা বিতৰণি সভাখনি অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আচিৰ আলীয়ে আঁত ধৰা আৰু বিদ্যালয়দুখনৰ পৰিচালনা সমিতিৰ সভাপতি মঃ চিৰাজ আলীয়ে সভাপতিত্ব কৰা সভাত বিশিষ্ট অতিথি হিচাপে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড.নৰকান্ত অধিকাৰীয়ে অংশগ্ৰহণ কৰি কয় জীৱনজুৰি কৰা সাধনাইহে ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ সফলতা আনে। বিদ্যালাভৰ বাবে অধ্যয়ন প্ৰয়োজন। এগৰাকী ছাত্ৰ বা ছাত্ৰীক মানুহ কৰিবলৈ মাতৃসকলৰ ভূমিকা আটাইতকৈ বেছি বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে এই ৰহিমা বিবি উচ্চ মাধ্যমিক বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক মঃ চিৰাজ আলীৰ প্ৰশংসা কৰে। এই সভাতে মুখ্য অতিথি হিচাপে দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ অধ্যক্ষ ডঃ নৰজ্যোতি দাসে অংশগ্ৰহণ কৰি ছাত্ৰ ছাত্ৰীৰ উদ্দেশ্যি কয় শিক্ষা, জ্ঞান প্ৰজ্ঞাৰ ওপৰত ভেটি নিৰ্মাণ হ'লেহে শক্তিশালী হয়। তেওঁ কয়-ক্লাছ কোনোদিন শেষ নহয়। শিক্ষাই মানুহক যুক্তিপূৰ্ণ হ'বলৈ শিকায়। ক্ষমতাক অনন্যভাৱে প্ৰয়োগ কৰিব পৰাটোৱেই শিক্ষা বুলি কয়। এই সভাত আন এগৰাকী বিশিষ্ট অতিথি আমৰাঙ্গা-বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক ভাৰপ্ৰাপ্ত অধ্যক্ষ হংস চৌধুৰীয়ে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি শিক্ষামূলক বক্তব্য প্ৰদান কৰে। শেষত সভাপতিৰ আসনৰ পৰা মঃ চিৰাজ আলীয়ে বক্তব্য প্ৰদান কৰি এই বিদ্যালয়খনৰ পৰা যোৱা উনৈশ বছৰ ধৰি প্ৰায় পাঁচশ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ পঢ়ুৱাই আহিছে বুলি কয়। এই বিদ্যালয়খন আজিও চৰকাৰীকৰণ নোহোৱাত তেওঁ আক্ষেপ প্ৰকাশ কৰে। এই সভাতে দুয়োখন বিদ্যালয়ৰ বিভিন্ন পাঠ্যক্ৰমত প্ৰথম,দ্বিতীয় স্থান লাভ কৰা আৰু পাঠ্যক্ৰমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক নগদ ধনেৰে পুৰস্কাৰ জনোৱা হয়। এই বঁটাসমূহ প্ৰদান কৰে ক্ৰমে সুভাষ দাস,আইনুল আলী, চামচুদ্দিন আহমেদ, তুলবুল আলি, জমিৰ আলীয়ে। এই সভাত পিচত গীত মাত,জিকিৰ, বাল্য-বিবাহ নাট আদি পৰিৱেশন কৰা হয়।

# নগাঁৱৰ জল জীৱন আঁচনি পৰিদৰ্শন আই আই টিৰ বিশেষজ্ঞ দলৰ

**ই-সংবাদ, বেবেজীয়া, ১৭ নৱেম্বৰঃ** প্ৰতিঘৰ গৃহস্থিত বিশুদ্ধ খোৱাপানী, দৈনিক ৫৫ লিটাৰ বিশুদ্ধ পানী প্ৰতিজন লোকে লাভ কৰিছেনে? পানী গুণাগুণ, উপভোক্তা সমিতি আৰু আঁচনি সমূহৰ কাৰিকৰী কৌশল বিজ্ঞান সন্মত হৈছেনে? জল জীৱন আঁচনিখন অসমত কিমান দূৰ ফলপ্ৰসূ হৈছে? ইতিমধ্যে এই বিষয়ে চৰকাৰে নিৰপেক্ষ বিশেষজ্ঞ দলৰ দ্বাৰা ক্ষেত্ৰভিত্তিক নিৰীক্ষণৰ কাম আৰম্ভ কৰিছে। ইয়াৰ অংশহিচাপে চৰকাৰে নিয়োগ কৰা আই আই টিৰ এটি বিশেষজ্ঞৰ দলে নগাঁও জিলাৰ বহু কেইখন আঁচনি নিৰীক্ষণ কৰে। এই দলটোৱে জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত নগাঁও সংমণ্ডৰ জুৰীয়া, দলংঘাট, ৰূপহী, পাখিমৰীয়া আৰু কঠিয়াতলী উন্নয়ন খণ্ডৰ এলেকাধীন কেইবাখনো আঁচনি নিৰীক্ষণ কৰে। মাদ্ৰাজৰ আই আই টি দলটোক সংগ দিয়ে জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা গগন তালুকদাৰ আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা ৰূপজ্যোতি বৰদলৈয়ে। আইআইটি দলটোৱে আঁচনিসমূহ নিৰীক্ষণ কৰাৰ লগতে পানী উপভোক্তা সমিতি, আত্মসহায়ক গোটৰ সদস্য, আশা কৰ্মী, অংগনবাড়ী কৰ্মী, জলদূত সকলৰ লগত মত বিনিময় কৰে। তদুপৰি বিশেষজ্ঞ দলটোৱে স্থানীয় লোকৰ সৈতে মত বিনিময় কৰি আঁচনি সমূহৰ পৰা ৰাইজ প্ৰকৃততে উপকৃত হৈছে নে নাই সেই বিষয়েও বুজ লয়। লগতে স্থানীয় ৰাইজৰ লগত বিশেষজ্ঞ দলটোৱে বিভিন্ন প্ৰশ্ন উত্থাপন কৰি আঁচনি ৰূপায়ণৰ প্ৰকৃত কাৰণ সম্পৰ্কে অৱগত কৰায়।



নলবাৰীৰ ৰাসৰ এক কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

## জাতিধ্বংসী কামত লিপ্ত থকা সকলক সকীয়নি সঞ্জীৱ দাসৰ

# ওদালগুৰিত উভৈনদী অনুসূচিত জাতিৰ ভুৱা প্ৰমাণপত্ৰ

**ই-সংবাদ,গুৱাহাটী, ১৭ নৱেম্বৰ:** অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে বিটিআৰৰ ওদালগুৰি জিলাত অনুসূচিত জাতিৰ নামত বহু লোকে ভুৱা প্ৰমাণপত্ৰ উলিয়াই সুবিধা গ্ৰহণ কৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে এক বিবৃতি যোগে এই অভিযোগ উত্থাপন কৰি শীঘ্ৰে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত অভিযোগ দাখিল কৰাৰ হুংকাৰ প্ৰদান কৰিছে। সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত সভাপতি সঞ্জীৱ দাসে কয় যে বিটিআৰৰ ওদালগুৰি জিলাত অনা-অনুসূচিত জাতিৰ একাংশ লোকে অনুসূচিত জাতিৰ শিক্ষিত নিবনুৱাৰ পেটত গোৰ মাৰিছে। জিলাখনত বৈশ্য, মেধি, তালুকদাৰ, মজুমদাৰ, ধৰ, বিশ্বাস, ভৌমিক, সিং আদি উপাধিধাৰী অনা-অনুসূচীত জাতিৰ লোকে বক্ৰ পথেৰে অনুসূচিত জাতিৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছে। এনে জাতিদ্ৰোহী কামত লিপ্ত হৈছে খোদ অনুসূচিত জাতি পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ গণ্ডগোলীয়া একাংশ লোক। ওদালগুৰি জিলাত অনুসূচিত জাতিৰ ভুৱা জাতিগত প্ৰমাণপত্ৰ ব্যৱহাৰ কৰি অনুসূচিত জাতিৰ সংৰক্ষণ ব্যৱস্থাক কব্জা কৰাটো মানি লোৱা নহ'ব বুলি ধমক দি দাসে কয় যে তথ্য মতে, জিলাখনত অনুসূচিত জাতিৰ লোক নোহোৱাৰ পিছতো বহু লোকে অনুসূচিত জাতিৰ প্ৰমাণ পত্ৰ ব্যৱহাৰ কৰি চাকৰি, ঠিকা-ঠুকলি, শিক্ষা আদিৰ সংৰক্ষণৰ সুবিধা ভোগ কৰি আহিছে। অনুসূচিত জাতিৰ শিক্ষিত নিবনুৱাৰ পেটত গোৰ মাৰি চাকৰি, শিক্ষাৰ সুবিধা লৈ থকা লোকসকলক চিনাক্ত কৰাৰ দায়িত্ব লাভ কৰা জাতিৰ ঠিকাদাৰসকল টকাৰ লোভত বিক্ৰী গৈছে। ওদালগুৰি জিলাত ৰাজ্য চৰকাৰৰ অনুমোদিত সংস্থা অনুসূচীত জাতি পৰিষদত বৃহৎ দুৰ্নীতি-অনিয়ম এতিয়া গোপন হৈ থকা নাই। বিভিন্ন লোকৰ অভিযোগৰ ভিত্তিত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে জিলাখনত চৰজমিন তদন্ত আৰম্ভ কৰিব বুলি কৈ কয় যে বিভিন্ন জনে দি অহা অভিযোগসমূহক গুৰুত্বসহকাৰে লৈ এই দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে কাম কৰিবলৈ সাজু হৈছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ। ওদালগুৰি চহৰৰ মহেন্দ্ৰ দাসক সভাপতি আৰু হৰেকৃষ্ণ মণ্ডলক সম্পাদকৰ দায়িত্ব দি অনুসূচিত জাতি পৰিষদৰ ওদালগুৰি জিলা সমিতি গঠন কৰা হৈছিল। সভাপতি মহেন্দ্ৰ দাস অসুস্থ আৰু সিমিতিৰ কাৰ্যকাল কেতিয়াই সমাপ্ত হৈছে। তাৰ পিছতো ম্যাদ উকলি যোৱা সমিতিখনৰ নিজকে সম্পাদক বুলি পৰিচয় দি হৰেকৃষ্ণ মণ্ডল জিলাখনত অনুসূচিত জাতি পৰিষদত উঠি-ৰজা বহি ৰজা হৈ আহিছে। ম্যাদ উকলি যোৱা সমিতিখনক লৈয়ে হৰেকৃষ্ণ মণ্ডল আৰু ধৰ্মেশ্বৰ বৰাই দায়িত্ব পালন কৰি থকাৰ অন্তৰালত আছে বৃহৎ ধনৰ অংক। এই কথা ইতিমধ্যে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদক বিভিন্ন জনে অৱগত কৰিছে। প্ৰমাণপত্ৰ প্ৰদানৰ সময়ত অনুসূচিত জাতিৰ লোক হয় নে নহয় সেয়া চিনাক্তকৰণত খেলি-মেলি কৰা হৈছে। সমিতিখনে এতিয়ালৈ কিমানখন প্ৰমাণপত্ৰ অনুমোদন দিলে সেই তথ্য মজুত নাই। অনুসূচিত জাতি পৰিষদৰ ওদালগুৰি জিলা সমিতিত হৰেকৃষ্ণ মণ্ডল সম্পাদক পদত থকাৰ সময়ৰ কোনো তথ্যয়েই নাই। শিক্ষক হৰেকৃষ্ণ মণ্ডলে দুয়োটা কাৰ্যকালত কিমান জাতিৰ প্ৰমাণপত্ৰ অনুমোদন দিলে আৰু মুঠ কিমান টকা সংগ্ৰহ কৰিলে ইয়াৰো তথ্য নাই বুলি কয় সংগঠনটোৱে। অনুসূচিত জাতি পৰিষদৰ আঞ্চলিক সমিতিসমূহে নজনাকৈ জাতিৰ প্ৰমাণপত্ৰ অনুমোদন দিয়াৰ বিস্ফোৰক অভিযোগ আনি কয় যে জিলাখনৰ বহু সন্দেহজনক অনা-অনুসূচিত জাতিৰ লোকক অনুসূচিত জাতিৰ প্ৰমাণপত্ৰ অনুমোদন দিয়াৰ ফলত বৈশ্য, মেধি, তালুকদাৰ, মজুমদাৰ, ধৰ, বিশ্বাস, ভৌমিক, সিং আদি উপাধিধাৰী লোকৰ হাতত প্ৰমাণপত্ৰ পৰিছে। এনে অভিযোগ অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদক একাধিকে দিছে। ধন লৈ এনে জাতিধ্বংসী কামত লিপ্ত হোৱা কাৰ্যক আমি ভাষাৰে গৰিহণা। বিবৃতিত ভুৱা প্ৰমাণপত্ৰ দি থকাসকলক চিনাক্ত কৰিবলৈ অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে দাবী জনাইছে।

# মধ্য অসম বন্ধৰ বিৰুদ্ধে সৰৱ মৰিগাঁও জিলা প্ৰশাসন

**ই-সংবাদ, মৰিগাঁও, ১৭ নবেম্বৰঃ** মধ্য অসমৰ তিৱা জনগোষ্ঠীৰ এলানি মৌলিক সমস্যা শীঘ্ৰেই সমাধানৰ দাবীত ১৯ নবেম্বৰত পাঁচটাকৈ তিৱা জাতীয় সংগঠনে মধ্য অসম বন্ধৰ আহ্বান জনোৱাৰ বিপৰীতে মৰিগাঁও জিলা প্ৰশাসনে বন্ধৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাক লৈজিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে.উল্লেখ্য যে,স্বায়ত্ত পৰিষদক সাংবিধানিক মৰ্যদা প্ৰদানৰ সন্দৰ্ভত ত্ৰিপাক্ষিক বৈঠক অতিশীঘ্ৰে অনুস্থিত কৰা, ২০২৬ ৰ পূৰ্বেই সমষ্টি পুনৰ নিৰ্দ্ধাৰণ কৰি মৰিগাঁও জিলাত জনজাতিৰ বাবে এখন বিধান সভাৰ আসন সংৰক্ষণ কৰা, সংৰক্ষিত খণ্ড বেষ্টনী আৰু পিজিআৰ/ভিজিআৰ ভূমিৰ পৰা অবৈধ বেদখলকাৰীক অতিশীঘ্ৰে উচ্ছেদ কৰাৰ দাবীত সদৌ তিৱা ছাত্ৰ সন্থা, তিৱা যুৱ ছাত্ৰ পৰিষদ, তিৱা মহিলা পৰিষদ, সদৌ তিৱা সুৰক্ষা সমিতি আৰু মৰিগাঁও জিলা ট্ৰাইবেল বেল্ট ব্লক এণ্ড লেণ্ড প্ৰটেকশ্যন কমিটীৰ যৌথ আহ্বানত ১৯ নৱেম্বৰৰ পুৱা ৫ বজাৰ পৰা ১২ ঘণ্টীয়া এই মধ্য অসম বন্ধৰ আহ্বান দিছে তিৱা সংগঠন কেইটাই। ইফালে পাঁচ তিৱা সংগঠনৰ এই বন্ধৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে মৰিগাঁও জিলা প্ৰশাসন। মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এনে বন্ধ আহ্বানৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ১৬৩ অধিনিয়মত বল প্ৰয়োগ কৰি বন্ধ সফল কৰাৰ চেষ্টা, বলপূৰ্বকভাৱে পিকেটিং কৰা, আইন শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি কৰা আদি প্ৰতিবন্ধকতা থকা কামত কাকো লিপ্ত নহ'বলৈ এক নিৰ্দেশ জাৰি কৰে। এমএমজেএমএমজে ৪/৯৮/পিটি/১৪৫ নম্বৰৰ এই নিৰ্দেশনাযোগে এনে আইন বিৰোধী কাৰ্যত জড়িতসকলৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা, ২০২৩ ৰ ২২৩ ধাৰাৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ।

# কচুৱা প্ৰেছ ক্লাৱৰ সৌজন্যত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

**ই-সংবাদ, লাহৰীঘাট, ১৭ নবেম্বৰঃ** কচুৱা প্ৰেছ ক্লাৱৰ সৌজন্যত কালি মাধৱপাৰা হাইস্কুলত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসটি উৎযাপন কৰা হয়। কচুৱা প্ৰেছ ক্লাৱৰ সভাপতি বাহাৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্য কৰে জ্যেষ্ঠ সাংবাদিক আনোৱাৰ হুছেইনে। প্ৰেছ ক্লাৱৰ সম্পাদক মোজাক্কিৰ আহমেদে আতঁ ধৰা সম্বৰ্ধনা অনুষ্ঠানটোত সমাজৰ বিভিন্ন উন্নয়নত ব্যাপক ভুমিকা লোৱা নগাওঁ ,ডবকাৰ জ্যেষ্ঠ চিকিৎসক ডা: আনোৱাৰ হুছেইন ছৌধুৰী, বিশিষ্ট লেখক তথা উদীয়মান ব্যৱসায়ী উৎপল বণিয়া, ডা: বদৰুল ইছলাম, ডা: আব্দুল কাইয়ুম, কামপুৰ বনাঞ্চলিক বিষয়ানী শ্বামিম আক্তাৰ, ফাৰ্মাচিষ্ট জাকিৰ হুছেইন আৰু পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমানক ফুলাম গামোচা, জাপি, মমেনন্টাম আৰু কিতাপৰ টোপোলাৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাৎপৰ্য আৰু সাংবাদিকৰ দায়বদ্ধতাৰ ওপৰত সুন্দৰভাবে আলোকপাত কৰি সাংবাদিক বিক্ৰী নগৈ নিৰপেক্ষতা বজাই সত্যৰ আধাৰত বাতৰি কৰিব লাগে বুলি আজিৰ মুখ্য অতিথি ডা: আনোৱাৰ হুছেইন চৌধুৰীয়ে মন্তব্য কৰে। সাংবাদিকতা এক পবিত্ৰ বৃত্তি আৰু সেয়ে ক্ষেত্ৰ অধ্যয়ন কৰি বাতৰি পৰিবেশনেৰে জনমত গঠন কৰাটো সাংবাদিকৰ কৰ্তব্য বুলি বিশিষ্ট অতিথি উৎপল বণিয়াই মন্তব্য কৰে। ভাষণ প্ৰসংগত কোনো সাংবাদিকৰ ওপৰত কোনো দুষ্ট চক্ৰই আক্ৰমণ কৰিলে সকলো পক্ষৰ ৰাইজ মাৰবান্ধি থিয় হব লাগে কিয়নো সাংবাদিকে ৰাইজৰ কাৰনেহে বাতৰি পৰিবেশন কৰে বুলি ডা: বদৰুল ইছলাম আৰু ডা: আব্দুল কাইয়ুমে মন্তব্য কৰে। কচুৱা প্ৰেছ ক্লাৱৰ অতীত সুঁৱৰি চৰকাৰী গাওঁ প্ৰধান খাইৰুল ইছলাম খাঁন আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা কবি খৰ্গেশ্বৰ বৰাই বক্তব্য ৰাখে। গছ থাকিলেহে মানুহ থাকিব ইয়াৰ আঁত ধৰি বনাঞ্চলিক বিষয়াই চমু ভাষণ দিয়াৰ পিছতেই বহু পৰিমানে বৃক্ষৰোপন কৰা হয়। উক্ত সভাত সাংবাদিক বাহাৰুল ইছলামৰ পিতৃৰ নামত উচৰ্গিত তিনিটাকৈ বঁটা প্ৰদান কৰা হয়। ছাহ চুফী হজৰত জহুৰ উদ্দিন খলিফাৰ জীৱনৰ ওপৰত চমু বিশ্লেষণ দাঙি ধৰি মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ জ্যেষ্ঠ সাংবাদিক অনুপজ্যোতি লাহন, কচুৱাৰ জ্যেষ্ঠ সাংবাদিক আনোৱাৰ হুছেইন আৰু কচুৱাত ইলেক্ট্ৰনিক সংবাদ সেৱাত প্ৰথম খোজ দিয়া দৈনিক গণ অধিকাৰ কাকতৰ সাংবাদিক আমিনুল হকক গামোচা, জাপি, সম্বৰ্ধনা পত্ৰ, কিতাপৰ টোপোলা আৰু নগদ ধন সহ বঁটা প্ৰদান কৰা হয়। উল্লেখ্যযোগ্য যে কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমানে কচুৱা প্ৰেছ ক্লাৱৰ ৯গৰাকী সাংবাদিকক গামোচা আৰু মমেন্টামেৰে সম্বৰ্ধনা জনায়।

## মনপৰশা সাংস্কৃতিক প্ৰতিযোগিতাৰে মুখৰিত গ্ৰন্থমেলা প্ৰাংগণ

# যোৰহাট ক্ৰীড়া সন্থাৰ ফিল্ডত উদ্দীপনাৰে আৰম্ভ অসম গ্ৰন্থমেলা

**ই-সংবাদ, যোৰহাট, ১৭ নৱেম্বৰঃ** অসম গ্ৰন্থমেলা, যোৰহাটত আজি আয়োজন কৰা “শিশুৰ দিন”ত কণ-মইনাহঁতৰ কলকলনিত মুখৰিত হৈ পৰে গ্ৰন্থাংগণ । যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই অনুষ্ঠিত কৰা এই গ্ৰন্থমেলাত আয়োজিত শিশুৰ দিন উদ্বোধন কৰে বিশিষ্ট শিশু সাহিত্যিক, লেখক বিনীতা দত্তই। তেওঁ কয় যে অসম গ্ৰন্থমেলাৰ বাকৰিত শিশুৰ বাবে এটি দিন এনেদৰে নিৰ্ধাৰণ কৰি দিয়াটো আনন্দৰ বতৰা। শিশুসকল প্ৰত্যেকেই বিভিন্ন প্ৰতিভাৰ আকৰ। প্ৰতিভাই বিকাশৰ বাট বিচাৰি ফুৰে। এনে কাৰ্যসূচীয়ে সেই বাটৰ সন্ধান দিয়ে। চিত্ৰাংকণ, কবিতা আবৃত্তি, গীত পৰিৱেশন আদিৰে শিশুসকলৰ প্ৰতিভাৰ উমান পাব পাৰি। শিশুসকলেই দেশৰ ভৱিষ্যৎ। গতিকে শিশুসকলক সঠিককৈ গঢ়ি তোলা, সঠিক দেখুওৱাটো প্ৰত্যেকজন নাগৰিকৰে কৰ্তব্য। অসম গ্ৰন্থমেলাত শিশুৰ দিন উদ্‌যাপন কৰি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই সেই কৰ্তব্য পালন কৰি নিদৰ্শন দাঙি ধৰিছে। শিশুৰ দিন উপলক্ষে আয়োজন কৰা চিত্ৰাংকণ প্ৰতিযোগিতাৰ “ক” শাখাত অলংকিতা বৰাই প্ৰথম, অন্দ্ৰেষা গগৈয়ে দ্বিতীয়, অনন্যা দাসে তৃতীয় স্থান লাভ কৰিছে। এই শাখাত নিচুকনি বঁটা লাভ কৰিছে মান্যতা কাকতি, আয়ুসী ভুঞা, নয়ন প্ৰতীম শইকীয়াই। ”খ” শাখাত বেদাজ্ঞ দেৱ প্ৰাণ শইকীয়াই প্ৰথম, যশৰাজ বৰগোঁহায়ে দ্বিতীয়, অন্বেষা বৰগোঁহায়ে তৃতীয় পুৰস্কাৰ লাভ কৰিছে। এই শাখাত উদগনি বঁটা লাভ কৰিছে অৰিত্ৰিকা মিশ্ৰ, ভাৰ্গৱ বৰদলৈ, অনুষ্কা ভৰালীয়ে। “গ” শাখাত দৃষ্টিৰাজ বৰাই প্ৰথম, হিমাংশী শইকীয়াই দ্বিতীয়, যুক্তাশ্ৰী শাণ্ডিল্যই তৃতীয় স্থান লাভ কৰিছে। এই শাখাত উদগনি বঁটা লাভ কৰিছে প্ৰিয়ুষ কলিতা, অৰ্চিতা বৰা, পূৰ্বশ্ৰী ডেকাই। কবিতা আবৃত্তি প্ৰতিযোগিতাৰ “ক” শাখাত গুঞ্জন বৰাই প্ৰথম, অংশ্ৰুতা শ্ৰেয়ম হাজৰিকাই দ্বিতীয়, বৃষ্টি সংজ্ঞা দত্ত আৰু দৃষ্টি নন্দিনী শইকীয়াই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। এই শাখাত উদগনি বঁটা লাভ কৰিছে অনুস্মৃতা দেৱতৃষ্ণা, শ্ৰেয়া গাম আৰু ঈষাংগী দত্তই। “খ” শাখাত ৰশ্মিতা হাজৰিকাই প্ৰথম, অলিপ্সী শ্ৰেয়মে দ্বিতীয় আৰু অৰ্চিতা বৰাই তৃতীয় পুৰস্কাৰ লাভ কৰিছে। এই শাখাত উদগনি বঁটা লাভ কৰিছে অভিশ্ৰুতি শৰ্মা আৰু তনুশ্ৰী শৰ্মাই। তদুপৰি বিয়লি চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক মানস প্ৰতীম গোস্বামীয়ে পৰিচালনা কৰা আকৰ্ষণীয় মুকলি কুইজত শতাধিক লোকে অংশগ্ৰহণ কৰে। ইয়াত প্ৰতিটো প্ৰশ্নৰ শুদ্ধ উত্তৰৰ বাবে নগদ ধন আৰু গ্ৰন্থ পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। উল্লেখ্য যে আজি দেওবাৰৰ দিনটোত অসম গ্ৰন্থমেলা, যোৰহাটত গ্ৰন্থপ্ৰেমীৰ ভিৰ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। বিশেষকৈ বিয়লিৰ পৰা আৰম্ভ হোৱা গ্ৰন্থপ্ৰমীৰ সোঁত নিশা গ্ৰন্থমেলাৰ দ্বাৰ বন্ধ হোৱাৰ পৰলৈ অব্যাহত থাকে। আশাৰ বতৰা এয়ে যে পুথি বিক্ৰীৰ হাৰো উৎসাহজনক। যোৰহাটৰ বিদ্বৎ সমাজ, সাহিত্যপ্ৰেমী আৰু ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থ বিক্ৰীৰ হাৰ আশাব্যঞ্জক কৰা বুলি জানিবলৈ দিছে অসম প্ৰকাশন পৰিষদৰ লগতে ইয়াত অংশগ্ৰহণ কৰা আন আন আন প্ৰকাশন গোষ্ঠী সমূহে।

# কোকৰাঝাৰত আৰম্ভ ৰাজ্যিক হস্ততাঁত বস্ত্ৰ মেলা

**ই-সংবাদ, কোকৰাঝাৰ, ১৭ নৱেম্বৰঃ** বিটিচিৰ সদৰ কোকৰাঝাৰত আজিৰে পৰা আৰম্ভ হৈছে ৰাজ্যিক হস্ততাঁত বস্ত্ৰ মেলা-২০২৪। ব্ৰাফেড'ৰ উদ্যোগত আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ মন্ত্ৰাণালয়ৰ সহযোগত কোকৰাঝাৰ পাগলাবাবা মন্দিৰৰ সন্মুখত তথা টাইকোয়ানডো এছ'চিয়েশ্যনৰ পথাৰত আজিৰে পৰা ১৪ দিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা উক্ত মেলাৰ মুখ্যদ্বাৰ উদঘাটন আৰু বন্তি প্ৰজ্বলনেৰে মুকলি কৰে কোকৰাঝাৰ পৌৰসভাৰ অধ্যক্ষা প্ৰতিভা ব্ৰহ্মাই। হস্ততাঁত বস্ত্ৰ মেলাখনত জন্মু কাশ্মীৰ, হাৰিয়ানা, পশ্চিমবংগ, পঞ্জাৱ, মণিপুৰ আদিকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ উপৰিও অসম আৰু বিটিআৰ এলেকাৰ ৬০টা বিপণীয়ে অংশগ্ৰহণ কৰে। মুকলি অনুষ্ঠানত ব্ৰাফেডৰ পৰিচালন সঞ্চালক ৰক্তিম বুঢ়াগোঁহাই আৰু কোকৰাঝাৰৰ পৌৰপতি প্ৰতিভা ব্ৰহ্মাই কয় যে হস্ততাঁত বস্ত্ৰমেলাৰ জৰিয়তে বিশেষকৈ বিটিআৰ এলেকাৰ শিপিনী সকলে নিজে ঘৰতে তৈয়াৰ কৰা হস্ততাঁতৰ বিভিন্ন সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ এখন বজাৰ পাব আৰু ইয়াৰ দ্বাৰা শিপিনীসকল যথেষ্ট উপকৃত হ'ব। আৰম্ভ হোৱা ৰাজ্যিক হস্ততাঁত বস্ত্ৰ মেলাত ক্ৰেতাসকলৰ পৰা সঁহাৰি পাব বুলি আশা প্ৰকাশ কৰিছে উদ্যোক্তাই

# চতিয়াত আলু খেতিত অচিন ৰোগ

**ই-সংবাদ, চতিয়া, ১৭ নৱেম্বৰঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণ অঞ্চলত আলু খেতি অচিন ৰোগত আক্ৰান্ত।মৰহি গৈছে বিঘাই বিঘাই আলু খেতি। অঞ্চলটোৰ ১ নং আদাভেটি গাঁৱৰ ছফিকুল ইছলাম নামৰ খেতিয়কৰ আলু খেতিত দেখা দিয়া এই অচিন ৰোগৰ ফলত এতিয়া চিন্তিত হৈ পৰিছে সমগ্ৰ অঞ্চলটোৰ খেতিয়কসকল। ঠন ধৰি উঠিবলৈ লোৱাৰ সময়তে লাহে লাহে শুকাই ৰঙা পৰি মৰহি গৈছে বিঘাই বিঘাই আলু খেতি। কৃষিকেই একমাত্ৰ জীৱন জীৱিকাৰ উৎস হিচাপে লোৱা খেতিয়কসকলে আলু খেতিত দেখা দিয়া এই অচিন ৰোগৰ পৰা আলু খেতি বচাবৰ বাবে ঔষধ ছটিয়াইছে যদিও সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। আলু খেতিত দেখা দিয়া এই ৰোগ যাতে আৰু সম্প্ৰসাৰিত হ'ব নোৱাৰে তাৰ বাবে অতি শীঘ্ৰেই



ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সমগ্ৰ অঞ্চলটোৰ খেতিয়কসকলে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনাইছে।

# দুৰ্গামণি বৰগোহাঁইৰ সম্পাদিত 'সপোন মালিতা শৈশৱ কৈশোৰৰ' গ্ৰন্থ উন্মোচন

**গুৱাহাটী, ১৭ নৱেম্বৰ**: আজি কামৰূপ জিলাৰ চাংসাৰিৰ নাতি দূৰৈৰ ভিতৰখোলা কলিতাচুবাস্থিত "ৰূপজ্যোতি সংঘ"ৰ বাকৰিত ডোৰা-কহৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী তথা বিশিষ্টা লেখিকা দুৰ্গামণি বৰগোহাঁইৰ দ্বাৰা সম্পাদিত গ্ৰন্থ "সপোন মালিতা -শৈশৱ কৈশোৰৰ" শুভ উন্মোচন কৰা হয়। ৰমেশ চন্দ্ৰ বড়া আৰু লিচুমাই বড়া ন্যাসৰ উদ্যোগত গ্ৰাম্য পৰিৱেশৰ মাজত আড়ম্বৰপূৰ্ণ পৰিবেশৰ মাজত অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে ন্যাসৰ সভাপতি বিনতা বৰুৱাই । ভাৰত স্কাউটছ্ এণ্ড গাইডৰ প্ৰাৰ্থনা সংগীতেৰে আৰম্ভ কৰা সভাৰ আদিতে মাধ্যমিক শিক্ষা বিভাগ, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক তথা গৱেষিকা ড০ অসমী গগৈয়ে কয়- 'আজিকালিৰ একাংশ মানুহৰ মন-মগজুবোৰ বৰ ঠুনুকা হৈছে । পিতৃ -মাতৃৰ প্ৰতি শ্ৰদ্ধা নোহোৱা হৈ পৰিছে। শিক্ষাগুৰুৰ প্ৰতি নাইকীয়া হ'ল শ্ৰদ্ধা -ভক্তি। সমাজখন শৃংখলিত কৰিবৰ বাবে সাহিত্যিক,শিল্পীসকল আগবাঢ়ি আহিব লাগে।" গ্ৰন্থ উন্মোচন কৰি কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড০ নৃপেন্দ্ৰনাথ তালুকদাৰে কয়- 'সপোন দেখিব লাগে। সপোন পূৰ কৰিবৰ বাবে অহৰহ প্ৰয়াস কৰিব লাগে। এজন শিক্ষক বা শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক সৰহ দিশত আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে।' সভাৰ মুখ্য অতিথি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক, কবি দীপক শৰ্মাই কয়- "আজিৰ একবিংশ শতিকাৰ মানৱৰ চিন্তা বৰ থৰক-বৰক। জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, মামণি ৰয়ছম গোস্বামীয়ে অসমক লৈ যি চিন্তা কৰিছিল, সেই চিন্তা -চেতনাৰ মানুহৰ অভাৱ। আজিকালি সকলোৱে মন্ত্ৰী হোৱাৰ সপোন দেখে। সৰ্বদিশতে এলান্ধুৱে আৱৰি ধৰিছে। সমন্বয় -সংহতিৰ অভাৱ ঘটিছে। আমি একতাৰ এনাজৰী ডাল নিকপকপীয়া কৰিবৰ বাবে সংঘবদ্ধ হ'ব লাগিব।"সভাত বিশিষ্ট কবি, সাহিত্যিক ৰক্তিমা ডেকা বৰুৱা, বিশিষ্ট লেখক তথা সাহিত্য সংগঠক বীৰেন্দ্ৰ কুমাৰ, প্ৰাক্তন ভাৰতীয় সেনা অৰবিন্দ চন্দ্ৰ ডেকা, লেখিকা বিনুমা চৌধুৰী, কমলপুৰ মণ্ডল বিজেপিৰ উপ -সভাপতি পংকজ কাকতিয়ে বিশিষ্ট অতিথি হিচাপে অংশ লৈ দুৰ্গামণি বৰগোহাঁইৰ অনুপম সৃষ্টিৰাজি তথা সাহিত্য সংগঠন, সমাজ ব্যৱস্থাৰ ওপৰত আলোকপাত কৰে। সভাত ৰূপজ্যোতি সংঘৰ সম্পাদক কমল কিশোৰ ডেকা, হৰিচন্দ্ৰ কলিতাই সমজুৱাৰ পৰা বক্তব্য দাঙি ধৰা সভাত ছাত্ৰী আস্থাজ্যোতি ডেকাই বিষ্ণু প্ৰসাদ ৰাভাৰ গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৰ্দ্ধন কৰে। ডা: দণ্ডেশ্বৰ ডেকাই আত ধৰা অনুষ্ঠানত গ্ৰন্থৰ সম্পাদক দুৰ্গামণি বৰগোহাঁইয়ে গ্ৰন্থখনিৰ আৰৰ কথা কোৱাৰ লগতে দুগৰাকী ছাত্ৰই লিখা দুটি কবিতা পাঠ কৰে।




দুৰ্গামণি বৰগোহাঁইৰ সম্পাদিত "সপোন মালিতা -শৈশৱ কৈশোৰৰ" গ্ৰন্থ উন্মোচন

# নিচা মুক্তি কৰ্মী তুষাৰ পাললৈ নেচনেল স্মৈছিং টেলেন্ট এৱাৰ্ড

**ই-সংবাদ, মৰিয়নি, ১৭ নৱেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাটৰ নিচা মুক্তি অভিযানৰ এজন অক্লান্ত কৰ্মী তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰ চৰ্চাবিদ তুষাৰ পালক দেশৰ কেইবাজনো আগশাৰীৰ বিভিন্ন ক্ষেত্ৰৰ বৰেণ্য ব্যক্তিৰ লগতে নলবাৰীৰ এটি আগশাৰীৰ অনুষ্ঠান ইউ এছ আৰ্ট গেলাৰীৰ তৰফৰ পৰা নলবাৰী মহাবিদ্যালয়ত হোৱা এক অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা নেচনেল স্মৈছিং টেলেন্ট এৱাৰ্ড -২০২৪ প্ৰদান কৰা হয়। তুষাৰ পাললৈ সামাজিক কৰ্মৰাজি আৰু সামাজিক বিষয়ক লৈ নিৰ্মাণ কৰা চলচ্চিত্ৰ সমূহত প্ৰকাশ পোৱা সামাজিক দায়বদ্ধতাৰ বাবে সংস্থাটোৱে এই সন্মান আগবঢ়াইছে। নলবাৰী জিলাৰ আয়ুক্ত বৰ্ণালী ডেকাই বন্তি প্ৰজ্বলনে শুভাৰম্ভ কৰা অনুষ্ঠানটিত আয়ুক্ত ডেকাই এনে ধৰণৰ অনুষ্ঠানৰ বাবে আয়োজকসকলক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোত বঁটা প্ৰাপক তুষাৰ পালে এনে ধৰণৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাই কৰ্মৰ প্ৰতি দায়িত্ববোধ বঢ়াই তোলে বুলি মন্তব্য কৰে। লগতে তেওঁ সকলো পক্ষকে মাদক দ্ৰব্য বিৰোধী অভিযানত সকলোৱে নিজৰ শক্তি অনুসাৰে কাম কৰিবলৈ আহ্বান জনায়।

# নীলবাগান শাখা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ সমিতি গঠন

**ই-সংবাদ, মোৰাঝাৰ, ১৭ নৱেম্বৰঃ** হোজাই সাহিত্য সভাৰ অন্তৰ্গত নীলবাগান শাখা সাহিত্য সভাৰ আজি সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। এই সভাৰ সভাপতিত্ব কৰে শাখাৰ সভাপতি আইনুল হক চৌধুৰীয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিলৱাৰ হুছেইনে। সভাত আগন্তুক ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে নীলবাগান শাখাৰ সভাপতি হিচাপে শ্বাহনেৱাজ লস্কৰ আৰু সম্পাদক হিচাপে বাচিত আলম চৌধুৰীক লৈ ১৫ জনীয়া এখন শক্তিশালী কমিটি গঠন কৰা হয়। ইপিনে আগন্তুক হোজাই জিলা সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশনখন ইংৰাজী নতুন বৰ্ষৰ পহিলাতে নীলবাগান শাখা সাহিত্য সভাৰ আধিত্যত নীলবাগানত আয়োজন কৰাৰ বাবে সমাজসেৱী খাইৰুল ইছলামক সভাপতি, ৰায়হান আহমেদ চৌধুৰীক সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। এই উপলক্ষে আয়োজিত আলোচনা সভাৰ আঁত ধৰে জিলা সাহিত্য সভাৰ সম্পাদক বিৰাজ কুমাৰ বৰাই। সভাত জিলা সভাৰ সভাপতি ইন্দ্ৰজিত বেজবৰুৱা, প্ৰাক্তন জিলা সভাপতি ড° গুণেশ্বৰ শইকীয়া, যমুনাপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি মোজাম্মিল আলী, সম্পাদক ছাদিকুজ জামানকে ধৰি ভালেমান বিষয়ববীয়া উপস্থিত থাকে।

## পূৰনগৰ মেধিপাৰা জয়ী

# ওদালগুৰি প্ৰীমিয়াৰ লীগৰ শুভাৰম্ভ



**ই-সংবাদ, ওদালগুৰি, ১৭ নৱেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত আৰু এমএম কনষ্ট্ৰাকশ্যনৰ সৌজন্যত আজিৰে পৰা ওদালগুৰিত অনুষ্ঠিত হৈছে দ্বিতীয় সংস্কৰণৰ ওদালগুৰি প্ৰীমিয়াৰ লীগ ২০২৪। সেই উপলক্ষে আজি পুৱা ইউপিএলৰ পতাকা উত্তোলন কৰে উপসভাপতি মৃদুল বৰ্মনে, বন্তি প্ৰজ্বলন কৰে শুভাকাংক্ষী গীতিকা দাসে। ইয়াৰ পাছত ইউপিএলৰ ট্ৰফী উন্মোচন কৰে সমাজসেৱক মিনন মোচাহাৰীয়ে। লগে লগে প্ৰতিযোগিতাখনি মুকলি কৰে বিটিচিৰ কাৰ্যবাহী সদস্য সঞ্জিৎ তাতীয়ে। প্ৰতিযোগিতাৰ মুকলি অনুষ্ঠানত উপস্থিত থাকি জিলা ক্ৰীড়া বিষয়া সঞ্জয় দৈমাৰীয়ে পৰিচালনা সমিতিক ধন্যবাদ জ্ঞাপন কৰে। প্ৰতিযোগিতাখনিৰ প্ৰথমখন খেল পূৰনগৰ মেধিপাৰা বনাম অ'এমচিচিৰ মাজত অনুষ্ঠিত হয়। প্ৰথমে বেট ধৰি পূৰনগৰে নিৰ্দ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫২ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি অ'এমচিয়ে ২০ অভাৰত ৯ টা উইকেট পতনেৰে মাত্ৰ ১২৯ ৰাণতে ইনিংছ সামৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে পূৰনগৰৰ নয়ন কলিতাই।



শ্ৰীলংকাৰ বিৰুদ্ধে দ্বিতীয় এদিনীয়াত নিউজিলেণ্ডৰ টিম ৰবিনছন ক্লীনবল্ড, দেওবাৰে




## বিজয়ী প্ৰতিযোগীসকললৈ ১৫ লাখ টকাৰ পুৰস্কাৰ

# কোকৰাঝাৰত হাফ মাৰাথন প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, কোকৰাঝাৰ, ১৭ নৱেম্বৰঃ** এনচিচিৰ উদ্যোগত আৰু বিটিচি চৰকাৰৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে আজি কোকৰাঝাৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ হাফ মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। 'এনচিচিৰ সতে শান্তিৰ দৌৰ' থীমেৰে আৰম্ভ হোৱা প্ৰতিযোগিতাখনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ১৬০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামৰ পৰা আৰম্ভ হোৱা মাৰাথন আৰু দৌৰ প্ৰতিযোগিতাত ২১ কিলোমিটাৰ হাফ মাৰাথন শাখাত প্ৰথম স্থান দখল কৰে পংকজ কুমাৰে, দ্বিতীয় স্থান দখল কৰে দীপক ভাটে আৰু তৃতীয় স্থান দখল কৰে কৈলাশ চৌধুৰীয়ে। আনহাতে, ২১ কিলোমিটাৰ হাফ মাৰাথনৰ মহিলা শাখাত প্ৰথম স্থান দখল কৰে তমসী সিঙে, দ্বিতীয় স্থান দখল কৰে অমৃতা পেটেলে আৰু তৃতীয় স্থান দখল কৰে গীতা কুমাৰী গৌৰে। ১০ কিলোমিটাৰ দৌৰৰ পুৰুষ শাখাত প্ৰথম স্থান দখল কৰে নীতিশ কুমাৰে, দ্বিতীয় স্থান দখল কৰে আকাশ পেটেলে, তৃতীয় স্থান দখল কৰে সন্দীপ সিঙে। মহিলা শাখাত প্ৰথম স্থান স্থান দখল কৰে কে এম সংগীতা পালে, দ্বিতীয় স্থান দখল কৰে চন্দ্ৰকলা লুইটেলে আৰু তৃতীয় স্থান দখল কৰে পাহি কেওটে। ৫ কিলোমিটাৰ দৌৰত পুৰুষ শাখাত প্ৰথম স্থান দখল কৰে সুকেমলাও সুবছে, দ্বিতীয় স্থান দখল কৰে অমল দেৱ নাথে আৰু তৃতীয় স্থান দখল কৰে হিতেশ বড়োৱে। মহিলা শাখাত প্ৰথম স্থান দখল কৰে সন্ধা যাদৱে, দ্বিতীয় স্থান দখল কৰে ৰেহেনা খাতুনে আৰু তৃতীয় স্থান লাভ কৰে দীপিকা মুণ্ডাই। উল্লেখ্য যে, কোকৰাঝাৰ ছাই ষ্টেডিয়ামত হাফ মাৰাথন প্ৰতিযোগিতা উপলক্ষে অনুষ্ঠিত হোৱা বঁটা বিতৰণী অনুষ্ঠানত ৰাজ্যৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু এনচিচিৰ উচ্চ পৰ্যায়ৰ প্ৰায় সকলো বিষয়া উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী নন্দিতা গাৰ্লোচাই অনুষ্ঠানটি সফলভাৱে ৰূপায়ণ কৰাৰ বাবে সকলো পক্ষলৈ শুভেচ্ছা জ্ঞাপন কৰি অহা বৰ্ষত প্ৰতিযোগীৰ সংখ্যা অধিক হ'ব বুলি আশা প্ৰকাশ কৰিছে। তদুপৰি বড়োলেণ্ডৰ পৰ্যটনক্ষেত্ৰই অনাগত সময়ছোৱাত প্ৰসাৰতা লাভ কৰিব বুলিও আশা ব্যক্ত কৰিছে নন্দিতা গাৰ্লোচাই। আনহাতে কোকৰাঝাৰত এটা এনচিচি বেটেলিয়ন খোলাৰ কথা সদৰী কৰিছে এনচিচি কৰ্তৃপক্ষই। উল্লেখ্য যে ২১.১ কিলোমিটাৰ (হাফ মাৰাথন), ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ এই তিনিটা শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলৰ মাজত প্ৰায় ১৫ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হয়। উল্লেখ্য, কাহিলিপুৰাতেই মাৰাথন প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰিছিল বিটিচিৰ কাৰ্যবাহী সদস্য দাওবৈছা বড়োৱে।

# পাৰ্থ টেষ্টত নেখেলে ৰোহিতে

**ছিডনী, ১৭ নৱেম্বৰঃ** অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত খেলিব নোৱাৰিব ৰোহিত শৰ্মাই। দ্বিতীয় বাৰৰ বাবে পিতৃ হোৱাৰ পিছত পৰিয়ালক সময় দিবলৈ ব'ৰ্ডৰ পৰা আৰু কিছু দিনৰ বাবে ছুটী বিচাৰিছিল ক্ৰিকেটাৰজনে। ফলত পাৰ্থ টেষ্টত ভাৰতক নেতৃত্ব দিব যশপ্ৰীত বুমৰাহে। ৰোহিতৰ ঠাইত প্ৰথম টেষ্টত দলত অন্তৰ্ভুক্ত হৈছে দেৱদত্ত পৰীক্কে। খেলখনত কে এল ৰাহুলে অ'পেনাৰ হিচাপে খেলাটো প্ৰায় নিশ্চিত হৈ পৰিছে। দীৰ্ঘদিন ধৰি ৰোহিতৰ খেলক লৈ জল্পনা-কল্পনা চলি আছিল। অৱশেষত গম পোৱা গৈছে যে তেওঁ এতিয়াও অষ্ট্ৰেলিয়ালৈ যোৱা নাই। ব'ৰ্ডৰ এক সূত্ৰই এটা সংবাদ মাধ্যমক জনোৱা মতে, 'আমি ভাবিছিলো ৰোহিত অষ্ট্ৰেলিয়ালৈ যাব। অৱশ্যে তেওঁ এতিয়া যাব নোৱাৰে বুলি ব'ৰ্ডক অৱগত কৰে। পৰিয়ালৰ সৈতে অধিক সময় কটাব বিচাৰে। দিবা-নৈশ টেষ্টৰ পূৰ্বে তেওঁ দলত যোগদান কৰিব। গতিকে এডিলেইড টেষ্টত ৰোহিতৰ প্ৰদৰ্শনক লৈ কোনো সন্দেহ নাই।' ইফালে, কে এল ৰাহুলে আঘাতমুক্ত হৈ দেওবাৰে অনুশীলনত নামে। ব'ৰ্ডে পোষ্ট কৰা ভিডিঅ'টোত তেওঁ কয়, 'মেচৰ প্ৰথম দিনটো বেয়া আছিল। আজি মোৰ ভাল লাগিছে। প্ৰথম মেচৰ বাবে সাজু হৈছো। সোনকালে আহি মই প্ৰস্তুতি চলাবলৈ বহু সময় পালো।"

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি